ভাৰতৰ ৰাজপত্ৰ

অসাধাৰণ

ভাগ ২    খণ্ড ১

কৰ্তৃপক্ষৰ দ্বাৰা প্ৰকাশিত

নং ২৫ নতুন দিল্লী, মঙ্গল বাৰ, জুন ২১, ২০০৫

৩১ জেঠ, ১৯২৭

আইন আৰু ন্যায় মন্ত্ৰালয়

(বিধয়নী) বিভাগ)

নতুন দিল্লী, ২১জুন ২০০৫/৩১, ১৯২৭ (শক)

সংসদৰ নিম্নোলিখিত আইনখনে ১৫ জুন, ২০০৫ত ৰাষ্ট্ৰপতিৰ সন্মতি লাভ কৰে আৰু এতিয়া ইয়াক সৰ্ব্বসাধাৰণৰ জ্ঞাতাৰ্থে প্ৰকাশ কৰা হৈছে।

তথ্য জনাৰ অধিকাৰ আইন, ২০০৫

২০০৫ চনৰ ২২ নম্বৰ (১৫জুন, ২০০৫)

নাগৰিকসকলে লোক কৰ্তৃপক্ষৰ নিয়ন্ত্ৰণৰ অধীনত থকা তথ্য যাতে সহজে লাভ কৰিব পাৰে তাৰ বাবে ব্যৱহাৰিক পদ্ধতি এটা প্ৰৱৰ্ত্তন। প্ৰতিটো লোক কৰ্তৃপক্ষৰ কাম-কাজত জবাবদিহি আৰু স্বচ্ছতা বৃদ্ধি কৰিবলৈকে এখন কেন্দ্ৰীয় তথ্য আয়োগ আৰু ৰাজ্যিক তথ্য আয়োগ গঠন আৰু  তাৰ লগত জড়িত বা অন্যান্য আনুষঙ্গিক বিষয়বোৰৰ কাৰণে এই আইনখন প্ৰণয়ন কৰা হৈছে।

যিহেতু ভাৰতীয় সংবিধানে গণতান্ত্ৰিক প্ৰজাতন্ত্ৰ প্ৰতিষ্ঠা কৰিছে----

আৰু যিহেতু গণতন্ত্ৰত তথ্যবিজ্ঞ নাগৰিক থাকিব লাগে আৰু তথ্যৰ  ক্ষেত্ৰতো স্বচ্ছতা থাকিব লাগে--যিটো ইয়াৰ কাম -কাজ সুচাৰু ৰূপে চলিবৰ কাৰণে আৰু দুৰ্নীতি ৰোধ

কৰিবৰ বাবে জৰুৰী আৰু চৰকাৰ আৰু ইয়াৰ বিভাগবোৰক নাগৰিকৰ ওচৰত জবাবদিহি কৰাটো জৰুৰী,

আৰু যিহেতু তথ্যৰ প্ৰকৃতৰূপত হোৱা প্ৰকাশে চৰকাৰৰ দক্ষতাপূৰ্ণ কাৰ্য্যসম্পাদন, সীমিত বিত্তীয় সম্পদৰ সৰ্বাধিক ব্যৱহাৰ আৰু সংবেদনশীল তথ্যৰ গোপনীয়তা সংৰক্ষণকে ধৰি অন্যান্য জনস্বাৰ্থজৰিত বিষয়ৰ লগত সংঘাত সৃষ্টি কৰিব পাৰে;

আৰু যিহেতু গণতান্ত্ৰিক আদৰ্শৰ শ্ৰেষ্ঠত্বক ৰক্ষনাবেক্ষণ দিয়াৰ সময়ত এই বিবাদাস্পদ স্বাৰ্থবোৰক সংগত কৰাৰ দৰকাৰ,

সেয়ে এতিয়া তথ্য লাভ কৰিবলৈ বিচৰা নাগৰিক সকলক নিৰ্দ্দিষ্ট তথ্য যোগান ধৰাটো জৰুৰী হৈ পৰিছে।

ভাৰতীয় প্ৰজাতন্ত্ৰৰ ৫৬তম বৰ্ষত ইয়াক সংসদৰ দ্বাৰা নিম্নোলিখিত ধৰণে প্ৰণয়ন কৰা হওক----

প্ৰথম অধ্যায়

প্ৰাৰম্ভিক

সংক্ষিপ্ত নাম

১।(১) এই আইনখনক তথ্য জনাৰ অধিকাৰ আইন,

২০0৫ বুলি কোৱা হ'ব পাৰে।

পৰিসৰ আৰু আৰম্ভণী

(২) জম্মু আৰু কাশ্মীৰ ৰাজ্যৰ বাহিৰে এই আইনখন সমগ্ৰ ভাৰততে প্ৰযোজ্য হ'ব।

(৩) ৪ নং দফাৰ উপদফা (১), ৫ নং দফাৰ উপদফা(১) আৰু (২), দফা নং ১২, ১৩, ১৫

,১৬,২৪,২৭ আৰু ২৮ তৎকালে বলবৎ হ'ব আৰু বাকী থকা ব্যৱস্হাবোৰ বলবৎ হ'ব আইনখন প্ৰণয়নৰ এশ বিশ দিনৰ দিনা।

সংজ্ঞা

২। এই আইনখনত প্ৰসঙ্গই অন্যধৰণে নিবিচাৰিলে---

ক) ''প্ৰকৃত চৰকাৰ'' ইয়াৰ অৰ্থ হ'ল এটা লোক কৰ্তৃপক্ষ সন্দৰ্ভত যিটো------

২) কেন্দ্ৰীয় চৰকাৰ বা কেন্দ্ৰীয় চৰকাৰৰ কেন্দ্ৰীয় শাসিত প্ৰশাসনৰ দ্বাৰা,

২) ৰাজ্য চৰকাৰৰ ৰাজ্যিক প্ৰশাসনৰ দ্বাৰা স্হাপিত, গঠিত ,অধিকৃত, নিয়ন্ত্ৰিত বা প্ৰত্যক্ষ বা পৰোক্ষ ভাবে যোগান ধৰা পৰ্য্যাপ্ত পৰিমানৰ পুঁজিৰে বিত্তীয় দিশত পৰিচালিত।

খ) ''কেন্দ্ৰীয় তথ্য আয়োগ''--- ইয়াৰ অৰ্থ হ'ল ১২নং দফাৰ উপদফা (১)ৰ অধীনত গঠিত কেন্দ্ৰীয় তথ্য আয়োগ;

গ) ''কেন্দ্ৰীয় লোক তথ্য বিষয়া'' মানে হ'ল----- ৫নং দফাৰ উপদফা (১)ৰ অধীনত নামাংকিত কেন্দ্ৰীয় লোক তথ্য বিষয়া আৰু সেইধৰণে ৫নং দফাৰ উপদফা(২)ৰ অধীনত সামৰি লোৱা হৈছে কেন্দ্ৰীয় সহকাৰী লোক তথ্য বিষয়া হিচাপে নামাঙ্কিত বিষয়া জনক।

ঘ) ''মুখ্য তথ্য আয়ুক্ত'' আৰু ''তথ্য আয়ুক্ত'' মানে হ'ল----- ১২নং দফাৰ (৩) উপদফাৰ অধীনত নিযুক্তি দিয়া মুখ্য তথ্য আয়ুক্ত আৰু তথ্য আয়ুক্ত।

ঙ) ''সক্ষম প্ৰাধিকাৰী''---- মানে হ'ল

১) লোক সভা বা ৰজ্যিক বিধান সভা বা কেন্দ্ৰীয় শাসিত অঞ্চলৰ বিধান সভাৰ ক্ষেত্ৰত অধ্যক্ষ গৰাকী, আৰু ৰাজ্যসভা বা ৰাজ্যিক বিধান পৰিষদৰ ক্ষেত্ৰত সভাপতি গৰাকী।

২) উচ্চতম ন্যায়ালয়ৰ ক্ষেত্ৰত ভাৰতৰ মুখ্য ন্যায়াধীশজন।

৩) উচ্চ ন্যায়ালয়ৰ ক্ষেত্ৰত উচ্চন্যায়ালয়ৰ মুখ্য ন্যায়াধীশজন।

৪) সংবিধানৰ অধীনত বা সংবিধানৰ দ্বাৰা স্হাপিত বা গঠিত অন্যান্য কৰ্তৃপক্ষৰ ক্ষেত্ৰত স্হিতি অনুসৰি ৰাষ্ট্ৰপতি বা ৰাজ্যপাল গৰাকী।

৫) সংবিধানৰ ২৩৯ নং অনুচ্ছেদৰ অধীনত নিযুক্ত প্ৰশাসক।

চ) ''তথ্য'' মানে হ'ল ---- নথিপত্ৰ,দলিল,স্মাৰক,ই-মেইল, জনমত, পৰামৰ্শ, প্ৰেছ-বিজ্ঞপ্তি, জাননী, নিৰ্দ্দেশ,লগবুক,চুক্তি, প্ৰতিবেদন, কাকত,পত্ৰ, নমুনা,আৰ্হি, যিকোনো ইলেক্ট্ৰনিক ৰূপত পোৱা তথ্য আৰু বৰ্ত্তমানে প্ৰচলিত যিকোনো আইনৰ অধীনত লোক প্ৰাধীকাৰীয়ে সহজে লাভ কৰিব পৰা যিকোনো বেচৰকাৰী নিকায় সম্পৰ্কীয় তথ্যকে ধৰি যিকোনো ৰূপত থকা যিকোনো তথ্য।

ছ) ''বিহিত''---- ইয়াৰ অৰ্থ হ'ল যথাস্হিতি সমুচিত চৰকাৰ বা সক্ষম কৰ্ত্তৃপক্ষৰ দ্বাৰা এই আইনৰ অধীনত যুগুত কৰা নিয়ম অনুসৰি বিহিত।

জ) ''লোক কৰ্ত্তৃপক্ষ''--- মানে হ'ল নিম্নোলিখিতৰ দ্বাৰা স্হাপিত বা গঠিত যিকোনো কৰ্ত্তৃপক্ষ বা নিকায় বা স্ব-শাসিত প্ৰতিষ্ঠান-

ক) সংবিধানৰ দ্বাৰা বা সংবিধানৰ অধীনত;

খ) সংসদে প্ৰণয়ন কৰা আন যিকোনো আইনৰ দ্বাৰা ।

গ) ৰাজ্যিক বিধানসভাই প্ৰণয়ন কৰা আন যিকোনো আইনৰ দ্বাৰা।

ঘ) সমুচিত/উপযুক্ত চৰকাৰে জাৰি কৰা জাননী বা নিৰ্দ্দেশৰ দ্বাৰা, আৰু যিকোনো---

১) নিজস্ব, নিয়ন্ত্ৰিত পৰ্য্যাপ্ত পৰিমাণৰ বিত্ত যোগান পোৱা নিকায়।

২) উপযুক্ত চৰকাৰে প্ৰত্যক্ষ বা পৰোক্ষ ভাবে যোগান ধৰা পুঁজিৰে পৰ্য্যাপ্ত পৰিমাণে বিত্ত যোগানপ্ৰাপ্ত বেচৰকাৰী সংস্হা।

ঝ) নথি-পত্ৰৰ ভিতৰত আছে-----

ক) যিকোনো দলিল, পাণ্ডুলিপি আৰু ফাইল।

খ) যিকোনো মাইক্ৰ'ফিল্ম, মাইক্ৰ'ফিচি আৰু দলিলৰ হুবহু প্ৰতিলিপি।

গ) তেনে মাইক্ৰ'ফিল্ম (ডাঙৰ কৰা বা নকৰা)ত থকা ছবি বা ছবিবোৰ যিকোনো ধৰণৰ পুনৰ ছপা ; আৰু

ঘ) কম্পিউটাৰ বা আন যিকোনো প্ৰক্ৰিয়াৰে উলিওৱা আন যিকোনো সামগ্ৰী.

ঞ) ''তথ্য জনাৰ অধিকাৰ''--- ইয়াৰ অৰ্থ হ'ল এই আইনৰ অধীনত থকা তথ্য সহজে জনাৰ অধিকাৰ,---- যি তথ্যৰ অধিকাৰী যিকোনো লোক কৰ্ত্তৃপক্ষ বা যি তথ্য লোক কৰ্ত্তৃপক্ষৰ নিয়ন্ত্ৰণৰ অধীন আৰু এনে অধিকাৰ সমূহ হৈছে----

১) কাম- কাজ ,দলিল, নথি- পত্র পৰীক্ষা কৰাৰ;

২) দলিল বা নথি-পত্ৰৰ টোকা উদ্বৃতি বা প্ৰমাণিত নকল গ্ৰহণ কৰাৰ;

৩) সামগ্ৰীৰ প্ৰমাণিত নমুনা গ্ৰহন কৰাৰ;

৪) ডিচ্ কোটিজ , ফ্লপিজ, টেপচ, ভিডিঅ' কেছেট বা আন যিকোনো ইলেক্ট্ৰনিক আহিলাত থকা তথ্য বা
কম্পিউটাৰ বা আন যিকোনো মাধ্যমত মজুত কৰি থোৱা তথ্য প্ৰিণ্ট আউটৰ জৰিয়তে লাভ কৰাৰ;

ট) "ৰাজ্যিক তথ্য আয়োগ"--- ইয়াৰ অৰ্থ হ'ল ১৫নং দফাৰ উপদফা (১)ৰ অধীনত গঠিত ৰাজ্যিক তথ্য আয়োগ।

ঠ) "ৰাজ্যিক মুখ্য তথ্য আয়ুক্ত" আৰু "ৰাজ্যিক তথ্য আয়ুক্ত" ---এই দুটাৰ অৰ্থ হ'ল ১৫ নং দফাৰ ৩ নং
উপদফাৰ অধীনত নিযুক্ত ৰাজ্যিক মুখ্য তথ্য আয়ুক্ত আৰু ৰাজ্যিক তথ্য আয়ুক্ত।

ড) "ৰাজ্যিক লোক তথ্য বিষয়া "----ইয়াৰ অৰ্থ হ'ল ৫ নং দফাৰ (১) নং উপদফাৰ অধীনত নামাংকিত
ৰাজ্যিক লোক তথ্য বিষয়া আৰু সেইদৰে ৫ নং দফাৰ (২) নং উপদফাৰ অধীনত নামাংকিত ৰাজ্যিক
সহকাৰী লোক তথ্য বিষয়া ।

ঢ) "তৃতীয় পক্ষ"----ইয়াৰ অৰ্থ হ'ল তথ্যৰ কাৰণে অনুৰোধ জনোৱা নাগৰিকজনৰ বাহিৰেও অন্য ব্যক্তি
আৰু ই লোক প্ৰাধিকাৰীকো সামৰি লয়।

## দ্বিতীয় অধ্যায়

### তথ্য জনাৰ অধিকাৰ আৰু লোক কৰ্তৃপক্ষৰ দায়িত্ব

তথ্য জনাৰ অধিকাৰ

৩. এই আইনৰ ব্যৱস্থাৱলীৰ অধীনত সকলো নাগৰিকৰে তথ্য জনাৰ অধিকাৰ আছে।

৪.(১) প্ৰতিটো লোক কৰ্তৃপক্ষৰ দায়িত্ব

ক) ইয়াৰ সকলোবোৰ তথ্য এনে এটা পদ্বতি বা ৰূপত ভালদৰে তালিকাভূক্ত আৰু সূচীভূক্ত কৰি থ'ব যিটোৱে এই আইনৰ তথ্য জনাৰ অধিকাৰ সূচল কৰিব আৰু এই কৰ্তৃপক্ষই ইয়াকো সুনিশ্চিত কৰিব যে কম্পিউটাৰভূক্ত কৰিবৰ বাবে উপযুক্ত বিবেচিত নথি-পত্ৰবোৰ সমুচিত সময়ৰ ভিতৰত আৰু প্ৰাপ্ত সম্পদৰ ভিত্তিত কম্পিউটাৰভূক্ত কৰা হৈছে আৰু এটা নেটৱৰ্কৰ জৰিয়তে সুকীয়াসুকীয়া পদ্বতিত সমগ্ৰ দেশকে সংযোগ কৰা হৈছে যাতে তথ্য আদি লাভ কৰাটো সুবিধাজনক হয়।

খ) এই আইনখন অধিনিয়মিত হোৱাৰ পৰা এশ বিশ দিনৰ ভিতৰত প্ৰকাশ কৰিব----

১) ইয়াৰ গঠন , কাম-কাজ আৰু দায়িত্বৰ বিবৰণ;

২) ইয়াৰ বিষয়া আৰু কৰ্মচাৰীসকলৰ ক্ষমতা আৰু দায়িত্ব;

৩) তদাৰকী আৰু জবাবদিহিৰ প্ৰকৃত পন্থাকে ধৰি সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত অনুসৰণ কৰা নিয়ম;

৪) ইয়াৰ কাম-কাজ সম্পাদনৰ বাবে ধাৰ্য্য কৰা নিয়মাৱলী;

৫) কাম-কাজ সম্পাদনৰ ক্ষেত্ৰত ইয়াৰ হাতত থকা বা ইয়াৰ নিয়ন্ত্ৰণত থকা বা ইয়াৰ কৰ্মচাৰীসকলে কৰ্ত্তব্য সম্পাদনৰ কাৰণে ব্যৱহাৰ কৰা নিয়মাৱলী, অধিনিয়ম, নিৰ্দ্দেশাৱলী,হাতপুথি আৰু নথি-পত্ৰাদি;

৬) ইয়াৰ হাতত থকা ইয়াৰ নিয়ন্ত্ৰণৰ অধীনত থকা দস্তাবেজবোৰৰ শ্ৰেণীৰ বিবৰণ;

৭) আলোচনাৰ বাবে থকা যিকোনো বন্দবস্তিৰ বিবৰণ বা নীতিনিৰ্দ্ধাৰণ বা তাৰ ৰূপায়ণ সন্দৰ্ভত জনসাধাৰণে দিয়া জ্ঞাপন ( প্ৰতিবেদন);

৮) ব'ৰ্ড, পৰিষদ, কমিটি আৰু ইয়াৰ অংশ হিচাবে বা ইয়াক পৰামৰ্শ দিয়াৰ উদ্দেশ্যে দুই বা তাতোধিক ব্যক্তিৰে গঠিত অন্যান্য নিকায়ৰ বিবৰণ, বা সেই বৰ্ড, পৰিষদ , কমিটি আৰু অন্যান্য নিকায়ৰ বৈঠকবোৰ জনসাধাৰণৰ বাবে মুকলি থাকেনে বা তেনে বৈঠকবোৰৰ কাৰ্য্যবিবৰণী জনসাধাৰণে পাব পাৰেনে-- তাৰ বিবৰণ;

৯) ইয়াৰ বিষয়া আৰু কৰ্মচাৰীসকলৰ পঞ্জি (ডাইৰেক্টৰী);

১০) ইয়াৰ নিয়মাৱলীত থকা ক্ষতিপুৰণ আদায়ৰ পদ্ধতিটোকে ধৰি প্ৰতিজন বিষয়া -কৰ্মচাৰীয়ে লাভ কৰা মাহিলি পাৰিতোষিক;

১১) সকলোবোৰ আঁচনিৰে বিবৰণ, প্ৰস্তাবিত ব্যয় আৰু আদায় দিয়া ধনৰ বিবৰণ উল্লেখ কৰি ইয়াৰ প্ৰতিটো এজেন্সীলৈ আৱন্টন দিয়া বাজেট।

১২) ৰাজসাহায্য ব্যৱস্থা থকা আঁচনিবোৰৰ কাৰ্য্যকৰীকৰণৰ ধৰণ; তেনেবোৰ আঁচনিত আৱন্টন দিয়া ধনৰ পৰিমাণ আৰু হিতাধিকাৰীসকলৰ বৃস্তিত বিবৰণ-;

১৩) ৰেহাই, অনুজ্ঞাপত্ৰ পাঁওতাসকল বা ইয়াৰ দ্বাৰা প্ৰদান কৰা হোৱা কৰ্তৃত্বৰ বিবৰণ;

১৪) প্ৰাপ্ত তথ্য বা ইয়াৰ দ্বাৰা আহৰণ/গ্ৰহণ কৰা তথ্য, ইলেক্ট্ৰনিক ৰূপলৈ সৰু কৰি লোৱা তথ্যৰ বিস্তৃত বিবৰণ;

১৫) পুথিভড়াল বা অধ্যয়ন কক্ষ যদি ৰাইজৰ ব্যৱহাৰৰ অৰ্থে পৰিচালনা কৰা হয় তেতিয়াহ'লে

তেনে পুথিভড়াল বা অধ্যয়ন কক্ষৰ কৰ্মসময়কে ধৰি তথ্য আহৰণৰ কাৰণে নাগৰিকৰ বাবে থকা সা-সুবিধাবোৰৰ বিবৰণ;

১৬) লোক তথ্য বিষয়াসকলৰ নাম ,পদবী আৰু অন্যান্য বিবৰণ;

১৭) নিৰ্দ্দিষ্ট কৰি দিব পৰা আন তেনে তথ্য; তাৰ পিচত প্ৰতিবছৰে এই প্ৰকাশনবোৰ নতুন কৰি থাকিব;

গ) গুৰত্বপূৰ্ণ নীতি নিৰ্দ্ধাৰণ কৰোতে বা জনসাধাৰণক প্ৰভাৱান্বিত কৰা সিদ্ধান্ত ঘোষনা কৰোতে সকলো প্ৰাসঙ্গিক কথা প্ৰকাশ;

ঘ) আইনখনৰ দ্বাৰা প্ৰভাৱান্বিত লোকসকলৰ বাবে প্ৰশাসনিক বা ন্যায়িক যেন লগা সিদ্বান্ত গ্ৰহণৰ যুক্তি প্ৰদৰ্শন।

২) ইন্টাৰনেটকে ধৰি যোগাযোগৰ বিভিন্ন মাধ্যমৰ জৰিয়তে জনসাধাৰনক এক নিয়মীয়া ব্যৱধানত যিমান পাৰি সিমান তথ্য নিজাববীয়াকৈ দি থাকিবলৈকে উপদফা (১)ৰ দফা (খ)ৰ প্ৰয়োজনীয়তা অনুসৰি ব্যৱস্থা গ্ৰহণ কৰাটো প্ৰতিটো লোক

কর্তৃপক্ষৰে অবিৰত প্ৰয়াস হ'ব যাতে তথ্য লাভ কৰিবৰ বাবে জনসাধাৰণে এই আইনখন সামান্য পৰিমাণেহে ব্যৱহাৰ কৰিবলগা হয়।

৩) উপদফা (১)ৰ উদ্দেশ্যতে প্ৰতিটো তথ্যকে বহুলভাৱে আৰু এনেকুৱা ৰূপত বা ধৰণত প্ৰচাৰ কৰা হ'ব যাতে ই জনসাধাৰণৰ বাবে সহজলভ্য হয়।

৪) ব্যয় ক্ষমতা , স্থানীয় ভাষা আৰু স্থানীয় এলেকাত যোগাযোগৰ ক্ষেত্ৰত থকা আটাইতকৈ ফলপ্ৰসূ পদ্ধতিটোৰ কথা বিবেচনা কৰিহে তথ্যসমূহ প্ৰচাৰ কৰা হ'ব, আৰু কেন্দ্ৰীয় লোক তথ্য বিষয়া আৰু ৰাজ্যিক লোক তথ্য বিষয়াৰ ওচৰত তথ্যবোৰ যথাসম্ভৱ ইলেক্ট্ৰনিক ফৰমেটত সহজলভ্য হ'ব লাগিব; ই বিনামূলীয়া হ'ব বা নিৰ্দ্ধাৰণ কৰিব পৰা মতে মাধ্যমৰ মূল্যত বা ছপামূল্যতে দিয়া হ'ব।

ব্যাখ্যা :---উপদফা (৩) আৰু(৪)ৰ ক্ষেত্ৰত ''প্ৰচাৰ কৰা'' মানে জাননী,ফলক,বাতৰি কাকত,চৰকাৰী ঘোষণা, মাধ্যমযোগে সম্প্ৰচাৰ (ব্ৰডকাষ্ট), ইন্টাৰনেট বা আন যিকোনো উপায়েৰে জনসাধাৰণক তথ্য জনোৱা বা যোগান ধৰা; যিকোনো লোক কৰ্তৃপক্ষৰ কাৰ্য্যলয় পৰিদৰ্শন কৰিও তথ্য পাব পাৰিব।

লোক তথ্য বিষয়াৰ পদ

৫.(১) এই আইনৰ অধীনত তথ্য বিচাৰি অনুৰোধ জনোৱা লোক সকলক তথ্য যোগান ধৰাৰ অৰ্থে এই আইন বলবৎ হোৱাৰ এশ দিনৰ ভিতৰত চৰকাৰী কৰ্তৃপক্ষই ইয়াৰ অধীনস্থ আটাইবোৰ প্ৰশাসনীয় গোট অথবা কাৰ্য্যালয়ত প্ৰয়োজন অনুসাৰে কেন্দ্ৰীয় লোক তথ্য বিষয়া অথবা ৰাজ্যিক লোক তথ্য বিষয়াক নিযুক্তিৰ ব্যৱস্থা কৰিব ।

(২) উপধাৰা (১)ৰ ব্যৱস্থাৱলীত যিয়েই নাথাকক এই আইনমতে তথ্য সৰবৰাহৰ অৰ্থে আৱেদন অথবা আপীল আদি গ্ৰহণ কৰি সেইবোৰ তুৰন্তে ব্যৱস্থা গ্ৰহণৰ অৰ্থে গোচৰ অনুসৰি কেন্দ্ৰীয় লোক তথ্য বিষয়া নাইবা ১৯নং ধাৰাৰ উপধাৰা (১)ৰ অধীনত সৃষ্ট জ্যেষ্ঠ তথ্য বিষয়া অথবা কেন্দ্ৰীয় তথ্য আয়োগ বা ৰাজ্যিক তথ্য আয়োগলৈ প্ৰেৰণ কৰাৰ অৰ্থে এই আইন বলবৎ হোৱাৰ এশ দিনৰ ভিতৰত চৰকাৰী কৰ্তৃপক্ষই প্ৰতি মহকুমা পৰ্য্যায়ত বা

আন উপজিলা পৰ্য্যায়ত প্ৰয়োজন অনুসাৰে একোগৰাকীকৈ কেন্দ্ৰীয় সহকাৰী তথ্য বিষয়া বা ৰাজ্যিক সহকাৰী তথ্য বিষয়াৰ নিযুক্তি দিব।

এগৰাকী কেন্দ্ৰীয় সহকাৰী তথ্য বিষয়া নাইবা এগৰাকী ৰাজ্যিক সহকাৰী তথ্য বিষয়াৰ ওচৰত তথ্য যোগানৰ আৱেদন বা অপীল দাখিল কৰাৰ পিছত ইয়াৰ উত্তৰ দানৰ অৰ্থে য়াৱতীয় কাৰ্য্য ব্যৱস্থাৰ বাবে ৭ নং ধাৰাৰ উপ ধাৰা (১) অনুসৰি ৫ দিনৰ সময়সীমা ধাৰ্য্য কৰি দিয়া হৈছে।

৩) স্থান অনুসৰি থকা প্ৰতিগৰাকী কেন্দ্ৰীয় লোক তথ্য বিষয়া অথবা ৰাজ্যিক লোক তথ্য বিষয়াই তথ্য বিচৰা লোকৰ অনুৰোধসমূহ চোৱা-চিতা কৰিব আৰু এনে তথ্য বিচৰা লোকসকললৈ যুক্তিসংগত সহায়-সহযোগিতা আগবঢ়াব ।

৪) নিজৰ নিজৰ কৰ্ত্তব্য সঠিকভাৱে পালন কৰাৰ অৰ্থে কেন্দ্ৰীয় লোক তথ্য বিষয়া অথবা ৰাজ্যিক লোক তথ্য বিষয়াই আৱশ্যক অনুসৰি আন যিকোনো বিষয়াৰে সহায় লব পাৰিব।

৫) উপধাৰা (৪)ৰ অধীনত যিসকল বিষয়াৰ সহায় বিচৰা হয় তেনে যি কোনো বিষয়াই সহায় বিচৰা কেন্দ্ৰীয় লোক তথ্য বিষয়া অথবা ৰাজ্যিক লোক তথ্য বিষয়া গৰাকীক সকলো সহযোগিতা আগবঢ়াব আৰু আইনখনৰ ব্যৱস্থাৱলীৰ যিকোনো বিতৰ্ক সন্দৰ্ভত এনে ধৰণৰ সেই অন্যান্য বিষয়া সকলক স্থান ভিত্তিত একোজন কেন্দ্ৰীয় লোক তথ্য বিষয়া অথবা ৰাজ্যিক লোক তথ্য বিষয়া হিচাপে গন্য কৰা হ'ব।

তথ্য লাভৰ অনুৰোধ

৬.(১) এই আইনৰ অধীনত যিকোনো তথ্য লাভ কৰিবৰ বাবে এজন লোকে ইয়াৰ বাবে নিৰ্দ্ধাৰণ কৰি দিয়া মাচুল আদি জমা দি ইংৰাজী বা হিন্দী অথবা স্থানীয় চৰকাৰী ভাষাত লিখিত ভাবে অথবা ইলেক্ট্ৰনিক মাধ্যম যোগে নিম্ন লিখিত সকলৰ ওচৰত আৱেদন দিব পাৰিব----

ক) স্থান অনুসাৰে সংশ্লিষ্ট লোক কর্তৃপক্ষৰ কেন্দ্ৰীয় লোক তথ্য বিষয়া অথবা ৰাজ্যিক লোক তথ্য বিষয়া;

খ) স্থান অনুসাৰে কেন্দ্ৰীয় সহকাৰী লোক তথ্য বিষয়া অথবা ৰাজ্যিক সহকাৰী লোক তথ্য বিষয়া;

তথ্য বিচৰা জনে তেওঁক লগা তথ্যৰ বিৱৰণ নিৰ্দ্দিষ্ট কৰি দেখুৱাব লাগিব ।

এনেধৰণৰ অনুৰোধ লিখিত ভাবে দাখিল কৰাটো সম্ভৱ নহলে মুখেৰে এনেধৰণৰ অনুৰোধ কৰা লোকজনৰ অনুৰোধ লিখিত আকাৰত পোৱৰ বাবে কেন্দ্ৰীয় লোক তথ্য বিষয়া অথবা ৰাজ্যিক লোক তথ্য বিষয়াই সেই লোকজনক যথাযথ সকলোধৰণৰ সহায় আগবঢ়াব ।

২) আৱেদনকাৰীয়ে তথ্যৰ বাবে অনুৰোধ জনাওঁতে তাৰবাবে কোনোধৰণৰ কাৰণ দাখিল কৰিব নালাগে বা তেওঁৰ কোনো ব্যক্তিগত বিতং বিৱৰণ দিয়াৰো প্ৰয়োজন নাই কেৱল তেওঁক যোগাযোগৰ বাবে আৱশ্যকীয় ঠিকনা আদি দিলেই হ'ব।

৩) এগৰাকী লোক কর্তৃপক্ষৰ ওচৰত তথ্য লাভৰ আৱেদন কৰোতে যদিহে----

ক) সেই তথ্য দিয়াৰ অধিকাৰ আন এগৰাকী লোককর্তৃপক্ষৰ হাতত থাকে; অথবা

খ) বিষয় বস্তুটো যদি আন এগৰাকী লোককর্তৃপক্ষৰ কাম-কাজৰ সৈতে অধিক ভাবে জড়িত;

তেনেহ'লে যিগৰাকী লোক কর্তৃপক্ষৰ ওচৰত প্ৰথমে আবেদন খন দিয়া হৈছিল তেওঁ সেই আৱেদনখন অথবা উপযুক্ত বুলি বিবাচনা কৰা তাৰ কোনো অংশ সেই আনগৰাকী লোক কর্তৃপক্ষলৈ প্ৰেৰণ কৰিব আৰু এই সম্পৰ্কে আৱেদনকাৰীক শীঘ্ৰে জনাব।

এই উপধাৰা অনুসৰি দৰ্খাস্তএখন পোৱাৰ পিছত যিমান পাৰি সোনকালে ইয়াক হস্হান্তৰ কৰিব লগিব কিন্তু কোনো ক্ষেত্ৰতে দৰ্খাস্তখন গ্ৰহণ পাঁচদিন পাচত পঠাব নোৱাৰিব.।

আৱেদনৰ নিষ্পত্তিৰ কৰণ-------

৭. (১) ৫ নং ধাৰাৰ উপধাৰা (২)ৰ ব্যৱস্হাৱলী সাপেক্ষে অথবা ৬নং ধাৰাৰ উপধাৰা (৩)ৰ ব্যৱস্হাৱলী সাপেক্ষে কেন্দ্ৰীয় লোক তথ্য বিষয়া বা ৰাজ্যিক লোক তথ্য বিষয়াই ৬নং ধাৰাৰ অধীনত প্ৰাপ্ত আৱেদনৰ অনুৰোধ যিমান দূৰ পাৰি সোনকালে আৰু যিকোনো ক্ষেত্ৰতেই দৰ্খাস্ত পোৱাৰ ত্ৰিশ দিনৰ ভিতৰত ইয়াৰ বাবে নিৰূপিত মাচুল আদায়ৰ ভিত্তিত তথ্যৰ যোগান ধৰিব অথবা ৮নং আৰু ৯নং ধাৰাৰ ব্যৱস্হাৱলীৰ যিকোনো এটি কাৰণত এই অনুৰোধ অগ্ৰাহ্য কৰিব;:

উল্লেখ থাকে যে অনুৰোধটো যদিহে এজন ব্যক্তিৰ জীৱন বা স্বত্ব সম্পৰ্কীয় হয় তেনেহ'লে এই অনুৰোধ প্ৰাপ্তিৰ আঠচল্লিশ ঘন্টাৰ ভিতৰত সেই সম্পৰ্কীয় তথ্যৰ যোগান ধৰিব লগিব।

২) যদিহে কেন্দ্ৰীয় লোক তথ্য বা ৰাজ্যিক লোক তথ্য বিষয়া যিগৰাকীয়েই নহওক কিয়,উপধাৰা (১) ৰ অধীনত নিৰ্দ্দিষ্ট কৰি দিয়া সময়সীমাৰ ভিতৰত তথ্য বিছাৰি কৰা অনুৰোধৰ ক্ষেত্ৰত নিজৰ সিদ্ধান্ত দিয়াত অপৰাগ হয়, তেনেহ'লে কেন্দ্ৰীয় লোক তথ্য বিষয়া অথবা ৰাজ্যিক লোক তথ্য বিষয়া যাৰ হাতত অনুৰোধটো থাকে তেওঁ সেই অনুৰোধ অস্বীকাৰ কৰা বুলি ধৰি লব লাগে।

৩) যেতিয়া তথ্য যোগান ধৰাৰ বাবদ তথ্য প্ৰেৰণৰ খৰছ হিচাপে অতিৰিক্ত মাচুল আদায় পোৱাৰ পিচতহে কেন্দ্ৰীয় লোক তথ্য বা ৰাজ্যিক লোক তথ্য বিষয়াই তথ্য প্ৰেৰণৰ সিদ্ধান্ত গ্ৰহণ কৰে তেতিয়া নিম্ন লিখিত কথাখিনি জনাই দি তথ্য বিচৰা ব্যক্তি গৰাকীলৈ জাননী প্ৰেৰণ কৰিব----

ক) উপধাৰা (১) ৰ অধীনত নিৰূপিত কৰি দিয়া মাচুল অনুসৰি তথ্য প্ৰেৰণৰ খৰছ হিচাপে বিষয়াগৰাকীয়ে নিৰ্দ্দিষ্ট কৰি দিয়া হিচাপৰ বিতং বিৱৰণৰ লগতে উক্ত নিৰ্দ্দিষ্ট হিচাপত কিয় উপনীত হ'ব লগা হ'ল তাৰ হিচাপ গাঁঠি দি সেইমতে মাচুল জমা দিয়াৰ বাবে তথ্য বিচৰাজনক অনুৰোধ কৰিব আৰু উক্ত মাচুল জমা দিয়া আৰু তথ্য প্ৰেৰণ কৰাৈলকে প্ৰয়োজন হোৱা সময়খিনি হিচাপ ,কৰি ,উপধাৰাটোত সন্নিবিষ্ট ত্ৰিশদিনীয়া সময়ছোৱাৰ পৰা বাদ দিয়া হ'ব।

খ) নিৰূপিত মাচুলৰ পৰিমাণ বা আৰ্হিপত্ৰ গ্ৰহণ তথা আপীল, কৰ্তৃপক্ষৰ বিৱৰণকে ধৰি সময়সীমা প্ৰক্ৰিয়া আৰু আন কাৰণত বিষয়াগৰাকীৰ যে সিদ্ধান্ত পুনৰ বিচাৰৰ অধিকাৰ আছে সেয়াও জনাব।

৪) এই আইনৰ অধীনত যদিহে কোনো ৰেকৰ্ড -পাতি বা তাৰ অংশ বিশেষ চোৱাৰ বাবে অনুমতি দিয়া হয় আৰু অনুমতিলাভ কৰা ব্যক্তি গৰাকী সংবেদনশীলতাৰ দিশত বাধাগ্ৰস্ত হয়; তেনেহ'লে কেন্দ্ৰীয় লোক তথ্য বিষয়া বা ৰাজ্যিক লোক তথ্য বিষয়াই পৰিদৰ্শনৰ বাবে আগবঢ়াবলগীয়া যথোপযুক্ত সহায়কে ধৰি তথ্যটো লাভ কৰাৰ বাবেও সেই লোকগৰাকীক যাৱতীয় সহায় আগবঢ়াব।

৫) তথ্যৰ উদ্ধৃতি যদি ছপা অথবা ইলেক্ট্ৰনিক আৰ্হিত দিব লগা হয় তেনেহ'লে তাৰ বাবে আৱেদনকাৰীয়ে উপধাৰা (৬)ৰ অধীনত ইয়াৰ বাবে যিধৰণৰ মাচুল নিৰ্দ্ধাৰণ কৰা হয়;তাক পৰিশোধ কৰিব লাগিব;

উল্লেখ্য যে ৬নং ধাৰাৰ উপধাৰা (১) আৰু ৭নং ধাৰাৰ উপধাৰা (১) আৰু (৫)ৰঅধীনত ধাৰ্য্য কৰা মাচুলৰ পৰিমাণ যুক্তি সংগত হ'ব লাগিব আৰু এনেধৰণৰ মাচুল যুক্তিপূৰ্ণ চৰকাৰৰ দ্বাৰা নিৰ্দ্ধাৰণ কৰা দাৰিদ্ৰ সীমাৰেখাৰ তলৰ কোনো লোকৰ পৰা লব নোৱাৰিব;

৬) লোক কৰ্তৃপক্ষই উপধাৰা (১)ত নিৰ্দ্ধাৰিত সময়সীমাৰ ভিতৰত তথ্য যোগানত ব্যৰ্থ হ'লে উপধাৰা (৫)ৰ নিয়মাৱলী সত্বেও তথ্য বিচৰা লোকজনক বিনামূলীয়াকৈ তথ্যৰ যোগান ধৰিব লাগিব।

৭) উপধাৰা (১)ৰ অধীনত কোনো সিদ্ধান্ত লোৱাৰ আগতে কেন্দ্ৰীয় লোক তথ্য বিষয়া বা ৰাজ্যিক লোক তথ্য বিষয়াই যাৰ আওতাত এই কাম পৰে তেওঁ ১১নং ধাৰাৰ অধীনত লাভ কৰা তৃতীয় পক্ষৰ দৰ্খাস্ত আদি বিবেচনাৰ বাবে হাতত ল'ব পাৰিব।

৮) উপধাৰা (১)ৰ অধীনত যেতিয়া কোনো এটি অনুৰোধ অগ্ৰাহ্য কৰা হয়; তেতিয়া কেন্দ্ৰীয় লোক তথ্য বিষয়া অথবা ৰাজ্যিক লোক তথ্য বিষয়া যিয়ে সেয়া অগ্ৰাহ্য কৰে তেওঁ অনুৰোধকাৰীক যোগাযোগৰ দ্বাৰা জনাব লাগিব -----

ক) এনে অগ্ৰাহ্যকৰণৰ কাৰণসমুহ;

খ) কিমান সময়ৰ ভিতৰত এনে অগ্ৰহ্যকৰণৰ বিৰুদ্ধে আপীল কৰিব পাৰিব;আৰু

গ) আপীল কৰ্তৃপক্ষ সম্পৰ্কে প্ৰ-বিৱৰণ.।

৯) লোক কৰ্তৃপক্ষক উপায়হীন কৰি তোলাধৰণৰ নহলে বা নিৰাপত্তাৰ প্ৰতি ক্ষতিকাৰক নহলে অথবা ৰেকৰ্ড--পাতি সংৰক্ষণৰ দিশত প্ৰতিকুলতা নাথাকিলে সচাৰচৰ বিচৰা ধৰণৰ আৰ্হিতে তথ্যৰ যোগান ধৰিব.।

ফাদিলকৰণ বহিৰ্ভূত তথ্য

৮.(১) এই আইনত থকা ব্যৱস্থাৱলী সত্বেও কোনো নাগৰিককে জনাবলৈ বাধ্যবাধকতা নথকা বিষয়বোৰ হ’ল-----

ক) যি তথ্যৰ ফাদিলকৰণে ভাৰতৰ সাৰ্বভৌমত্ব আৰু ঐক্য বিনষ্ট কৰিব পাৰে,ৰাষ্ট্ৰৰ নিৰাপত্তা, কৌশলগত,বিজ্ঞানভিত্তিক অথবা অৰ্থনৈতিক স্বাৰ্থ বিঘ্নিত কৰিব পাৰে,বিদেশী ৰাষ্ট্ৰৰ সৈতে থকা সম্পৰ্ক নাইবা কোনো এক অপৰাধ সংঘটিত হব পৰা কোনো তথ্য;

খ) কোনো আদালত বা ট্ৰাইবুনেলে আদেশযোগে প্ৰচাৰৰ বাবে মানা কৰা তথ্য অথবা আদালতৰ গৰিহণাৰ সম্মূখীন হ’ব লগীয়া হ’ব পৰা কোনো তথ্যৰ ফাদিলকৰণ;

গ) সংসদ বা ৰাজ্যিক বিধানমণ্ডলৰ বিশেষাধিকাৰ ভংগ কৰিব পৰা ধৰণৰ কোনো তথ্যৰ ফাদিলকৰণ;

ঘ) যদিহে বৃহত্তৰ ৰাজহুৱা স্বাৰ্থৰ খাতিৰত সংশ্লিষ্ট কৰ্তৃপক্ষই ফাদিল কৰাটো উচিত বুলি নেভাবে তেনেহ’লে তৃতীয় পক্ষৰ প্ৰতিযোগীতামূলক স্হিতিত ক্ষতিকৰিবৰ আশংকাথকা বাণিজ্যিক গোপনীয়তা ব্যৱসায়িক গোপনীয়তা অথবা বৌদ্ধিক সম্পত্তিৰ তথ্য জনাব নেলাগে।

ঙ) সক্ষম কৰ্তৃপক্ষই যদিহে বৃহত্তৰ ৰাজহুৱা স্বাৰ্থৰ খাতিৰত কোনো আস্হাভাজন ব্যক্তিৰ বাবে উপলবধ হোবা খবৰো প্ৰকাশৰ বাবে উপযুক্ত বুলি নেভাবে তেনে তথ্য প্ৰকাশ নকৰা;

চ) বিদেশী চৰকাৰৰ পৰা গোপনীয়ভাবে লাভ কৰা তথ্য ;

ছ) জীৱনলৈ ভাবুকি অনা বা কোনো লোকৰ শাৰীৰিক নিৰাপত্তা বিঘ্নিত হ'ব পৰা বা তথ্য উৎস চিনি উলিয়াব পৰা বা আইন বলবৎকৰণৰ বাবে গোপনে দিয়া সহায় অথবা নিৰাপত্তাৰ লগত জড়িত তথ্য;

জ) অনুসন্ধানত বাধাৰ সৃষ্টি কৰিব পৰা বা আশংকা সৃষ্টিকাৰী অথবা অপৰাধীৰ বিচাৰ সম্পৰ্কীয় তথ্য;

ঝ) মন্ত্ৰীমণ্ডলীৰ আলোচনাৰ বিৱৰণকে ধৰি মন্ত্ৰীসভা , সচিবগণ আৰু অন্যান্য বিষয়াবৰ্গৰ কাকত -পত্ৰৰ তথ্য; উল্লেখ্য যে মন্ত্ৰীসভাৰ সিদ্ধান্ত সমূহ ইয়াৰ কাৰণবোৰ আৰু কি বিষয়বস্তুৰ ওপৰত সিদ্ধান্তসমূহ গ্ৰহণ কৰা হৈছিল সেই সম্পৰ্কে সিদ্ধান্ত লোৱাৰ পিছত বা বিষয়বস্তু সম্পূৰ্ণ হোৱাৰ পাচতহে ইয়াৰ তথ্য ৰাজহুৱা কৰিব পাৰিব ততোধিক উল্লেখ কৰা হ'ল যে এই ধাৰাৰ অধীনত নিৰূপিত তথ্য যোগান বহিৰ্ভূত বিষয়সমূহো প্ৰকাশ কৰিব নোৱাৰিব;

ঞ) বৃহত্তৰ ৰাজহুৱা স্বাৰ্থৰ খাতিৰত কেন্দ্ৰীয় লোক তথ্য বিষয়া বা ৰাজ্যিক লোক তথ্য বিষয়া অথবা আপীল কৰ্তৃপক্ষই প্ৰকাশ কৰাটো উচিত বুলি বিবেচনা নকৰিলে কোনো ৰাজহুৱা কাম-কাজ বা ৰাজহুৱা স্বাৰ্থৰ সৈতে জড়িত নোহোৱা অথবা কোনো লোকৰ গোপনীয়তাত আঘাত হানিব পৰা ব্যক্তিগত তথ্য ফাদিল কৰিব নালাগে:

উল্লেখযোগ্য যে সংসদ অথবা ৰাজ্যিক বিধান সভাক বঞ্চিত কৰিব নোৱাৰা তথ্যৰ পৰা আন লোককো বঞ্চিত কৰিব নালাগে।

১৯২৩ৰ ১৯ নং

২) চৰকাৰী গোপনীয় আইন ১৯২৩ (অফিচিয়েল চিক্ৰেট এক্ত,১৯২৩) নাইবা উপধাৰা (১)অনুসৰি তাৰ বাহিৰৰ অনুমতি যোগ্য যিকোনো এক ব্যৱস্থাত যিয়েই নাথাকক কিয়,

সুৰক্ষিত স্বাৰ্থৰ ক্ষতিতকৈ যদি ফাদিলকৰণৰ সপক্ষে ৰাজহুৱা স্বাৰ্থৰ ওজন অধিকতৰ হয়; তেনেহ'লে তেনে তথ্য চোৱাৰ বাবে কোনো এক ৰাজহুৱা কৰ্তৃপক্ষই অনুমতি দিব পাৰে।

৩) উপধাৰা (১)ৰ দফা নং (ক), (গ) আৰু (ঝ)ৰ ব্যৱস্থাৱলী সাপেক্ষে কিবা এটি ঘটনা, কাৰ্য্যৰ বা বিষয়াৰ তথ্য বিচাৰি ৬নং ধাৰাৰ অধীনত অনুৰোধ কৰা হৈছে আৰু যি ঘটনা তথ্য বিচৰা তাৰিখৰ দিনাৰ পৰা ২০ বছৰ আগতে সংঘটিত হৈ গৈছে তাৰ বিষয়ে সংশ্লিষ্ট তথ্য বিচৰা যিকোনো লোককে তথ্য যোগান ধৰিব লাগিব :

উল্লেখযোগ্য যে এই বিশ বছৰৰ হিচাপটো যি তাৰিখৰ পৰা হিচাপ কৰা হ'ব সেই সম্পৰ্কে যদি কিবা প্ৰশ্নৰ অৱতাৰণা হয়; তেনেহ'লে বিষয়টো এই আইনৰ অধীনত থকা আপীল ব্যৱস্থাৰ অধীনলৈ আহিব আৰু এই দিশত কেন্দ্ৰীয় চৰকাৰৰ সিদ্ধান্তই চূৰান্ত বুলি গণ্য কৰা হ'ব।

কেতবোৰ দিশৰ ক্ষেত্ৰত তথ্য সৰবৰাহ অগ্ৰাহ্যকৰণৰ কাৰণবোৰ:

৯) ৮নং ধাৰাৰ ব্যৱস্থাৱলীৰ ক্ষতি নকৰাকৈয়ো কেন্দ্ৰীয় লোক তথ্য বিষয়া অথবা ৰাজ্যিক লোক তথ্য বিষয়াই তথ্য সৰবৰাহৰ বাবে অহা অনুৰোধ এটি অগ্ৰাহ্য কৰিব পাৰে যদিহে সেই তথ্যটি ৰাষ্ট্ৰৰ নহৈ কোনো ব্যক্তি বিশেষৰ প্ৰতিলিপি স্বত্ব ভংগৰ সৈতে সাঙোৰ খোৱা ধৰণৰ হয়।

পৃথকীকৰণ

১০. (১) যেতিয়া ফাদিলকৰণৰ বাবে অনুমতি নথকা কোনো এক তথ্যৰ সৈতে সম্পৰ্কীয় বুলি কোনো এক তথ্যৰ আৱেদন অগ্ৰাহ্য কৰা হয়;তেতিয়া এই আইনৰ ব্যৱস্থাৱলীত যিয়েই নেথাকক কিয় এই আইনৰ অধীনত প্ৰকাশৰ বাবে বাৰণ কৰি থোৱা তথ্যৰ কোনো অংশ যদি এনে ধৰণৰ বাৰণযুক্ত হয় তেনেহ'লে তথ্যটোৰ সেই বাৰণ মুক্ত অংশখিনি যুক্তিসংগতভাবে তাৰ পৰা পৃথক কৰি সংগ্ৰহ কৰিব পাৰি।

২) উপধাৰা (১)ৰ অধীনত যেতিয়া তথ্য এটিৰ কোনো অংশ সৰবৰাহৰ অনুমতি মঞ্জুৰ কৰা হয় তেতিয়া সংশ্লিষ্ট কেন্দ্ৰীয় লোক তথ্য বিষয়া অথবা ৰাজ্যিক লোক তথ্য বিষয়াই জাননী জাৰি কৰি আৱেদনকাৰীক জনাই দিব যে----

ক) ৰেকৰ্ডটোৰ প্ৰকাশৰ পৰা বাৰণ কৰা অংশটিৰ পৰা প্ৰকাশত বাধা নথকা অংশটি পৃথক কৰি আৱেদনকাৰীয়ে বিচৰা তথ্য হিচাপে প্ৰকাশত বাধা নথকা তথ্য খিনিহে প্ৰেৰণ কৰা হৈছে;

খ) কোনো ঘটনাৰ উপাদান উদঘাটন আৰু যিহৰ ভিত্তিত উপাদান উদঘাটন কৰা হ'ল সেই প্ৰসঙ্গকে ধৰি সিদ্ধান্তগ্ৰহণৰ যুক্তিসমুহ;

গ) সিদ্ধান্ত দিয়া ব্যক্তিগৰাকীৰ নাম আৰু পদবী;

ঘ) তেওঁৰ দ্বাৰা হিচাপ কৰা মাচুলৰ বিতং বিৱৰণ আৰু আৱেদনকাৰীয়ে জমা দিবলগীয়া মাচুলৰ পৰিমাণ; আৰু

ঙ) ফাদিলকৰণ ৰহিত কোনো তথ্যাংশৰ সিদ্ধান্ত পুনৰ বিচাৰ সন্দৰ্ভত তেওঁৰ অধিকাৰ, নিৰূপিত মাচুলৰ পৰিমাণ বা অনুমতি প্ৰদানৰ আৰ্হি লগতে ১৯ নং ধাৰাৰ উপধাৰা (১)ৰ অধীনত বৰ্ণনা কৰা জ্যেষ্ট বিষয়া বা কেন্দ্ৰীয় তথ্য আয়োগ বা ৰাজ্যিক তথ্য আয়োগৰ প্ৰবিৱৰণ , সময়সীমা, প্ৰক্ৰিয়া আৰু তথ্য সংগ্ৰহৰ আন যিকোনো আৰ্হি আদিৰ বিষয়ে জনাব।

তৃতীয় পক্ষৰ তথ্য

১১. (১) তৃতীয় পক্ষৰ সৈতে সম্পৰ্কীত বা তৃতীয় পক্ষই যোগান ধৰা আৰু গোপনীয় বুলি বিবেচিত কোনো তথ্য বা ৰেকৰ্ড বা তথ্যৰ অংশ যদি এই আইনৰ অধীনত অনুৰোধ জনোৱা লোকক দিয়াৰ বাবে কোনো এক কেন্দ্ৰীয় তথ্য বিষয়া অথবা এক ৰাজ্যিক তথ্য বিষয়াই ইচ্ছা কৰে তেনেহ'লে সেই সংশ্লিষ্ট কেন্দ্ৰীয় তথ্য বিষয়া অথবা ৰাজ্যিক বিষয়া গৰাকীয়ে এনে অনুৰোধ পোৱাৰ পাঁচ দিনৰ ভিতৰত সেই সংশ্লিষ্ট তৃতীয় পক্ষক এনে অনুৰোধৰ বিষয়ে লিখিত জাননীৰে অৱগত কৰিব আৰু সংশ্লিষ্ট কেন্দ্ৰীয় লোক তথ্য বিষয়া

বা ৰাজ্যিক লোক তথ্য বিষয়াগৰাকীয়ে তৃতীয় পক্ষৰ তথ্য বা ৰেকৰ্ড অথবা তাৰ কিয়দংশ কিয় জনাবলৈ ইচ্ছুক তাৰ কাৰণে জনাব লগতে সেই তথ্য জনাব পৰা হবনে নহ'ব সেই সম্পৰ্কে লিখিত ভাবে অথবা মৌখিকভাবে সন্মতি আদায়ৰ বাবে তৃতীয় পক্ষক নিমন্ত্ৰণ কৰিব আৰু তথ্য প্ৰকাশৰ সিদ্ধান্ত লোৱাৰ সময়ত তৃতীয় পক্ষৰ মতামতৰ ওপৰতো চকু ৰখা হ'ব।

উল্লেখ্য যে তৃতীয় পক্ষৰ প্ৰতি হব পৰা ক্ষতি বা স্বাৰ্থৰ লোকচানতকৈ যদি জনস্বাৰ্থৰ খাতিৰত তথ্য প্ৰকাশৰ গুৰত্ব অধিকতৰ হয়; তেনেহ'লে আইনৰ দ্বাৰা সুৰক্ষিত ব্যৱসায় বা বাণিজ্যিক গোপনীয় বিষয়ৰ বাহিৰে আন তথ্য ফাদিলৰ অনুমতি দিব পাৰে।

২) কোনো তথ্য বা ৰেকৰ্ড--পাতি বা তাৰ কিয়দংশ প্ৰকাশৰ সন্দৰ্ভত কেন্দ্ৰীয় লোক তথ্য বিষয়া বা ৰাজ্যিক লোক তথ্য বিষয়াই উপধাৰা (১)ৰ অধীনত তৃতীয় পক্ষক যেতিয়া জাননী জাৰি কৰে ; সেই জাননী প্ৰাপ্তিৰ তাৰিখৰ পৰা দহ দিনৰ ভিতৰত প্ৰস্তাৱিত ফাদিলকৰণৰ বিৰুদ্ধে তৃতীয় পক্ষৰ পৰা কিবা জনাব লগা থাকিলে জনোৱাৰ সুযোগ দিব লাগিব।

৩) ৭ নং ধাৰাত যি আছেটো আছেই তৎসত্বেও, কেন্দ্ৰীয় লোক তথ্য বিষয়া অথবা ৰাজ্যিক লোক তথ্য বিষয়াই ৬ নং ধাৰাৰ অধীনত কোনো তথ্যৰ বাবে অনুৰোধ প্ৰাপ্তিৰ চল্লিশ দিনৰ ভিতৰত যদিহে ইতিমধ্যে উপধাৰা (২)ৰ অধীনত তৃতীয় পক্ষক নিজৰ মতামত জনোৱাৰ বাবে সুযোগ দিছে তথাপিও সেই সময়সীমাৰ ভিতৰত কোনো তথ্য বা ৰেকৰ্ডপাতি অথবা তথ্যৰ কিয়দংশ প্ৰকাশৰ বাবে সিদ্ধান্ত লৈ তাক ফাদিল কৰিব নে নকৰে সেই সম্পৰ্কে তেওঁৰ সিদ্ধান্ত তৃতীয় পক্ষক লিখিত জাননী আকাৰে অৱগত কৰিব

৪) উপধাৰা (৩) অনুসৰি যাক জাননী জাৰি কৰা হৈছে সেই তৃতীয় পক্ষই যে ১৯ নং ধাৰাৰ অধীনত উক্ত সিদ্ধান্তৰ বিৰুদ্ধে আপীল কৰিব পাৰিব সেইকথাও জাননীখনৰ অন্তৰ্গত বিৱৰণ এটাত উল্লেখ থাকিব।

## তৃতীয় অধ্যায়

## কেন্দ্ৰীয় তথ্য আয়োগ

### কেন্দ্ৰীয় তথ্য আয়োগ গঠন

১২.(১) এই আইনৰ অধীনত অৰ্পিত ক্ষমতাৰ প্ৰয়োগ আৰু ন্যস্ত কাম-কাজ সম্পাদনৰ বাবে কেন্দ্ৰীয় চৰকাৰে চৰকাৰী ৰাজপত্ৰৰ জড়িয়তে জাননী জাৰি কৰি কেন্দ্ৰীয় তথ্য আয়োগ নামেৰে এটি সংস্থা গঠন কৰিব।

(২) কেন্দ্ৰীয় তথ্য আয়োগ গঠন হ'ব------

ক) মুখ্য তথ্য আয়ুক্ত আৰু

খ) আৱশ্যক বুলি ভবা সিমান সংখ্যক কেন্দ্ৰীয় তথ্য আয়ুক্তৰ দ্বাৰা যাৰ সংখ্যা দহগৰাকীতকৈ অধিক হ'ব নোৱাৰিব ।

৩) ক) প্ৰধানমন্ত্ৰী,যি হ'ব সমিতিৰো সভাপতি ;

খ) লোকসভাৰ বিৰোধী দলৰ দলপতি, আৰু

গ) প্ৰধানমন্ত্ৰীৰ দ্বাৰা মনোনীত এগৰাকী কেন্দ্ৰীয় কেবিনেট মন্ত্ৰীৰ দ্বাৰা গঠিত সমিতিৰ অনুমোদনৰ ভিত্তিত ৰাষ্ট্ৰপতিৰ দ্বাৰা মুখ্য তথ্য আয়ুক্ত আৰু তথ্য আয়ুক্ত সকলক নিযুক্তি দিয়া হ'ব।

ব্যাখ্যা :---- সন্দেহ আঁতৰ কৰাৰ উদ্দেশ্যতে ইয়াত ইয়াকো কোৱা হ'ল যে লোকসভাত যদি বিৰোধী দলপতিৰ স্বীকৃতি নেথাকে তেনেহ'লে লোকসভাত চৰকাৰৰ বিৰুদ্ধে থকাৰ বিৰোধী দলসমুহৰ বৃহত্তম গোটটোৰ দলপতিজনকে বিৰোধী দলপতি বুলি ধৰি লোৱা হ'ব।

৪) কেন্দ্ৰীয় তথ্য আয়োগৰ সাধাৰণ তদাৰকী, নিৰ্দ্দেশ জাৰিকৰণ আৰু পৰিচালনা মূলক কাম-কাজসমুহ মুখ্য তথ্য আয়ুক্তগৰাকীৰ হাতত ন্যস্ত থাকিব; এই কামত তেওঁক তথ্য আয়ুক্ত সকলে সহায় কৰিব আৰু এই আইনৰ অধীনত কেন্দ্ৰীয় তথ্য আয়োগে আন

কোনো কর্তৃপক্ষৰে নির্দ্দেশ নোহোৱাকৈ স্বতন্তৰীয়ভাবে কৰিব পৰা সকলো ক্ষমতা প্ৰয়োগ আৰু কাম-কাজ আদিৰ সম্পাদন তেওঁলোকে কৰিব।

৫) মুখ্য তথ্য আয়ুক্ত আৰু তথ্য আয়ুক্ত সকল আইন, বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা, সমাজসেৱা, পৰিচালন ব্যৱস্থা ,সাংবাদিকতা, গনমাধ্যম অথবা প্ৰশাসন আৰু শাসন সম্পর্কে জ্ঞান আৰু অভিজ্ঞতাৰে ৰাজহুৱা জীৱন খ্যাতি থকা ব্যক্তি হ'ব লাগিব।

৬) মুখ্য তথ্য আয়ুক্তগৰাকী বা তথ্য আয়ুক্তসকল সংসদৰ সদস্য অথবা কোনো ৰাজ্য বা কেন্দ্ৰীয় শাসিত অঞ্চলৰ বিধান মণ্ডলৰ সদস্য হব নোৱাৰিব বা কোনো লাভজনক পদবীত থাকিব নালাগিব অথবা কোনো ৰাজনৈতিক দলৰ সৈতে সম্পৰ্কীত হ'ব নোৱাৰিব অথবা যিকোনো ব্যৱসায় চলাই থাকিব নোৱাৰিব বা যিকোনো আন বৃত্তি চলাই থকা লোক হ'ব নোৱাৰিব।

৭) কেন্দ্ৰীয় তথ্য আয়োগৰ সদৰ কাৰ্য্যালয় থাকিব দিল্লীত আৰু কেন্দ্ৰীয় চৰকাৰৰ আগতীয়া অনুমোদনৰ ভিত্তিত কেন্দ্ৰীয় তথ্য আয়োগে ভাৰতৰ আন আন ঠাইতো কাৰ্য্যালয় খুলিব পাৰিব।

কাৰ্য্যকাল আৰু সেৱাৰ চৰ্তসমূহ

১৩. (১) মুখ্য তথ্য আয়ুক্তগৰাকীয়ে তেওঁৰ কাৰ্যালয়ত যোগদান কৰাৰ দিনাৰ পৰা পাঁচ বছৰৰ বাবে কাৰ্য্যনিৰ্বাহ কৰিব আৰু পুনৰ নিযুক্তিৰ বাবে বিবেচিত নহ'ব।

উল্লেখযোগ্য যে কোনো মুখ্য তথ্য আয়ুক্তই পয়ষষ্ঠি বছৰত ভৰি দিয়াৰ পিছত কাৰ্য্যনিৰ্বাহ কৰি থাকিব নোৱাৰিব।

২) প্ৰতিগৰাকী তথ্য আয়ুক্তই কাৰ্য্যালয়ত যোগদান কৰাৰ দিনাৰ পৰা পাঁচ বছৰ পৰ্য্যন্ত অথবা পয়ষষ্ঠী বছৰ বয়স পুৰা হোৱালৈকে ইয়াৰে যিটোৱে আগতে হয় সেই সময়লৈকে তেওঁৰ পদবীত থকিব পাৰিব আৰু তাৰ পিচত তেনেধৰণৰ তথ্য আয়ুক্তৰ পদত পুনৰ নিযুক্তিৰ বাবে বিবেচিত নহ'ব।

উল্লেখযোগ্য যে এই উপধাৰাৰ অধীনত পদবী খালী কৰি দিয়া যিকোনো তথ্য আয়ুক্তই ১২ নং ধাৰাৰ উপধাৰা (৩)ত বৰ্ণিত ব্যৱস্থানুসৰি মুখ্য তথ্য আয়ুক্ত হিচাপে নিযুক্তি পোৱাৰ বাবে বিবেচিত হ'ব।

পুনৰ উল্লেখ্য যে যেতিয়া তথ্য আয়ুক্ত এগৰাকীক মুখ্য তথ্য আয়ুক্ত হিচাপে নিযুক্তি দিয়া যায়; তেতিয়াও তথ্য আয়ুক্ত আৰু মুখ্য তথ্য আয়ুক্ত হিচাপে সেইগৰাকী ব্যক্তিৰ কাৰ্য্যকাল মুঠ হিচাপত পাঁচ বছৰৰ অধিক নহ'ব।

৩) মুখ্য তথ্য আয়ুক্ত অথবা এগৰাকী তথ্য আয়ুক্তই কামত যোগদান কৰাৰ আগতে ৰাষ্ট্ৰপতি অথবা তেওঁৰ দ্বাৰা এই উদ্দেশ্যে নিযুক্ত কোনো এগৰাকী লোকৰ ওচৰত এই উদ্দেশ্যত প্ৰথম অনুসূচীত সন্নিবিষ্ট আৰ্হিৰ প্ৰ-পত্ৰত শপত বাক্য পাঠ কৰিব লাগিব আৰু সন্মতি পত্ৰত চহী কৰিব লাগিব ।

৪) মুখ্য তথ্য আয়ুক্ত অথবা তথ্য আয়ুক্তই যিকোনো সময়তে নিজ হাতেৰে ৰাষ্ট্ৰপতিলৈ লিখি তেওঁৰ পদবীৰ পৰা পদত্যাগ কৰিব পাৰে ।

উল্লেখযোগ্য যে ১৪ ধাৰাত সন্নিবিষ্ট নিয়মাৱলীৰ আধাৰত মুখ্য লোক আয়ুক্ত অথবা এগৰাকী তথ্য আয়ুক্তক অপসাৰণ কৰিব পৰা যাব।

৫) দিবলগীয়া দৰ্মহা আৰু ভাট্টা আৰু কাৰ্য্যকাল তথা সেৱাৰ চৰ্তসমূহ------

ক) মুখ্য তথ্য আয়ুক্তৰ ক্ষেত্ৰত মুখ্য নিৰ্বাচন আয়ুক্তৰ সৈতে একেধৰণৰ হ'ব আৰু;

খ) এগৰাকী তথ্য আয়ুক্তৰ ক্ষেত্ৰত নিৰ্বাচন আয়ুক্তৰ সৈতে একে পৰ্য্যায়ৰ হ'ব।

উল্লেখ্য যে যদিহে মুখ্য তথ্য আয়ুক্ত অথবা তথ্য আয়ুক্ত গৰাকীয়ে উক্ত পদত নিযুক্ত হোৱাৰ আগতে ভাৰত চৰকাৰ অথবা ৰাজ্যিক চৰকাৰৰ অধীনত চাকৰি কৰিছিল আৰু তাৰ বাবদ নিযুক্তিৰ সময়ত বৈকল্য পেঞ্চন অথবা আঘাত জনিত পেঞ্চনৰ বাহিৰে নিয়মিত পেঞ্চন ভোগ কৰি আছিল তেনেহ'লে মুখ্য তথ্য আয়ুক্ত অথবা তথ্য আয়ুক্ত হিচাপে তেওঁ পাবলগীয়া দৰ্মহাৰ পৰা উক্ত নিয়মিত পেঞ্চনকে ধৰি সলনি হিচাপে গ্ৰহণ কৰা পেঞ্চনৰ অন্যান্য অংশৰ ধন আৰু অৱসৰ কালীন সা-,সুবিধাৰ বাবদ লোৱা ধনৰ

সমপৰিমানৰ ধন দৰ্মহাৰ পৰা কমাব লাগিব । অৱশ্যে অৱসৰকালীন আনুতোষিকৰ সমপৰ্য্যায়ৰ পেঞ্চনৰ ধনখিনি ইয়াত ধৰা নহয়।

পুনৰ উল্লেখ্য যে যদিহে মুখ্য তথ্য আয়ুক্ত বা তথ্য আয়ুক্ত গৰাকীয়ে তেওঁৰ নিযুক্তিৰ সময়ত আগতে যিকোনো কেন্দ্ৰীয় আইন অথবা ৰাজ্যিক আইনৰ দ্বাৰা বা অধীনত গঠন হোৱা নিগম নাইবা কেন্দ্ৰীয় চৰকাৰ অথবা ৰাজ্যিক চৰকাৰৰ নিজস্ব বা ইয়াৰ দ্বাৰা নিয়ন্ত্ৰিত কোম্পানীৰ অধীনত সেৱা আগবঢ়োৱাৰ অৰ্থে অৱসৰকালীন সা-সুবিধা ভোগ কৰি আছিল তেনেহ'লে মুখ্য তথ্য আয়ুক্ত অথবা তথ্য আয়ুক্ত হিচাপে সেৱা আগবঢ়োৱাৰ বাবে তেওঁক দিবলগীয়া দৰ্মহাৰ পৰা আগৰে পৰা ভোগ কৰি থকা উক্ত অৱসৰকালীন সা-সুবিধাৰ পেঞ্চনৰ ধনৰ সম পৰিমাণৰ ধন কৰ্ত্তন কৰা হ'ব।

পুনৰ উল্লেখ কৰা হ'ল যে নিযুক্তিৰ পাচত মুখ্য তথ্য আয়ুক্ত আৰু তথ্য আয়ুক্তৰ দৰ্মহা, ভাট্টা, আৰু সেৱাৰ চৰ্ত্তসমূহ তেওঁলোকে লোকচানৰ সন্মুখীন হ'ব পৰাকৈ পৰিবৰ্ত্তন কৰিব পৰা নাযাব।

৬) এই আইনৰ অধীনত দক্ষতাৰে কাম-কাজ চলাবৰ বাবে মুখ্য তথ্য আয়ুক্ত আৰু তথ্য আয়ুক্ত সকলৰ সহায়ৰ অৰ্থে যিমান সংখ্যক বিষয়া আৰু কৰ্মচাৰীৰ প্ৰয়োজন হয় সিমান সংখ্যক বিষয়া-কৰ্মচাৰী কেন্দ্ৰীয় চৰকাৰে যোগান ধৰিব আৰু এই আইনৰ উদ্দেশ্যতে নিযুক্তি লাভ কৰা সেই বিষয়া আৰু অন্যান্য কৰ্মচাৰী সকলক দিবলগীয়া দা-দৰ্মহা আৰু ভাট্টাসমূহ যিধৰণে বিধান দিয়া হয় তেনে ধৰণৰে হ'ব।

মুখ্য নিৰ্বাচন আয়ুক্ত বা তথ্য আয়ুক্তৰ অপসাৰণ

১৪. (১) উপধাৰা (৩)ৰ ব্যৱস্হাৱলীৰ অধীনত ৰাষ্ট্ৰপতিৰ চুপাৰিশ মৰ্মে তদন্তৰ পিচত উচ্চতম ন্যায়ালয়ে দিয়া সেউজ সংকেত অনুসৰি প্ৰমাণিত দুৰ্ব্যৱহাৰ অথবা অক্ষমতাৰ বাবে কেৱল ৰাষ্ট্ৰপতিৰ আদেশ ক্ৰমে মুখ্য তথ্য আয়ুক্ত অথবা যিকোনো তথ্য আয়ুক্তকে তেওঁৰ পদৰ পৰা অপসাৰণ কৰিব পৰা যাব।

২) মুখ্য তথ্য আয়ুক্ত অথবা যিকোনো তথ্য আয়ুক্ত, যাৰ বিৰুদ্ধে তদন্ত চলোৱা বাবে উপধাৰা (১)ৰ অধীনত ৰাষ্ট্ৰপতিৰ দ্বাৰা উচ্চতম ন্যায়ালয়লৈ চুপাৰিশ প্ৰেৰণ কৰা হৈছে; সেই বিষয়াগৰাকীক তদন্ত চলি থকা সময়ছোৱাৰ বাবে উচ্চতম ন্যায়ালয়ৰ প্ৰতিবেদন লাভ কৰাৰ পাচত ৰাষ্ট্ৰপতিৰ দ্বাৰা আদেশ পাছ কৰাৰ আগলৈকে ৰাষ্ট্ৰপতিয়ে তেওঁৰ পৰা নিলম্বিত কৰিব পাৰে বা প্ৰয়োজনবোধ কৰিলে কাৰ্য্যালয়ত উপস্থিত থকাৰ পৰা তেওঁক বাৰণ কৰিব পাৰে।

৩) উপধাৰা (১)ৰ ব্যৱস্থাৱলীৰ বাহিৰেওঁ, ৰাষ্ট্ৰপতিয়ে আদেশযোগে মুখ্য তথ্য আয়ুক্ত অথবা যিকোনো তথ্য আয়ুক্তকে তেওঁৰ পদৰ পৰা অপসাৰণ কৰিব পৰিব যদিহে মুখ্য তথ্য আয়ুক্তগৰাকী অথবা কোনো এগৰাকী তথ্য আয়ুক্ত --

ক) দেউলীয়া বুলি বিবেচিত হয়; অথবা

খ) কোনো দোষত দোষী স্যাব্যস্ত হৈছিল; যিটো ৰাষ্ট্ৰপতিৰ মতে নৈতিক অধঃপতনৰ সৈতে জড়িত; বা

গ) কাৰ্য্যকাল চলি থকা সময়ত নিজৰ কাম-কাজৰ বাহিৰেও অৰ্থৰ বিনিময়ত আন কামতো ব্যস্ত থাকে; বা

ঘ) যদিহে ৰাষ্ট্ৰপতিৰ বিবেচনামতে মানসিক অথবা শাৰীৰিক বৈকল্যৰ বাবে কাৰ্য্য নিৰ্বাহ কৰি থাকিবলৈ অপাৰগ; অথবা

ঙ) এনেধৰণৰ বিত্তীয় বা অন্যান্য সা-সুবিধা তেওঁ লাভ কৰিছে যাৰ প্ৰতি থকা ধাউতিৰ বাবে মুখ্য তথ্য আয়ুক্ত অথবা তথ্য আয়ুক্ত হিচাপে তেওঁৰ কাম-কাজ বাধাগ্ৰস্থ হৈছে।

৪) যদিহে মুখ্য তথ্য আয়ুক্ত অথবা এগৰাকী তথ্য আয়ুক্ত ভাৰত চৰকাৰৰ দ্বাৰা বা ইয়াৰ হৈ সম্পাদন কৰা কোনো চুক্তি অথবা বুজাবুজি চুক্তিৰ সৈতে সম্পৰ্কীত বা অংশীদাৰ হৈ পৰে বা তাৰ পৰা কোনো উপায়ে পাব পৰা লাভৰ ভাগীদাৰ হয় নাইবা কোনো এক আইনগত ভাবে গঠিত কোম্পানীৰ সদস্য অথবা আন সদস্যৰ লেখীয়াকৈ উমৈহতীয়াভাবে তাৰপৰা পোৱা কোনো সুবিধা বা ভাট্টা লাভ কৰে তেনেহ'লে তেওঁ উপধাৰা (১)ৰ ব্যৱস্থাৱলীৰ অধীনত অপব্যৱহাৰৰ দোষত দোষী বুলি গণ্য হ'ব।

চতুৰ্থ অধ্যায়

ৰাজ্যিক তথ্য আয়োগ

ৰাজ্যিক তথ্য আয়োগ গঠন

১৫. (১) এই আইনৰ অধীনত প্ৰদত্ত ক্ষমতাৰ প্ৰয়োগ আৰু অৰ্পিত কাম-কাজ সম্পাদন কৰাৰ অৰ্থে প্ৰতিখন ৰাজ্য চৰকাৰে ইয়াৰ চৰকাৰী ৰাজপত্ৰৰ জৰিয়তে অধিসূচনা জাৰি কৰি ..... (ৰাজ্যৰ নাম) তথ্য আয়োগ বুলি জনাজাত হ'ব পৰা এক নিকায় গঠন কৰিব।

২) ৰাজ্যিক তথ্য আয়োগ গঠন হ'ব -----

ক) ৰাজ্যিক মুখ্য তথ্য আয়ুক্ত , আৰু

খ) আৱশ্যক বুলি ভবা সিমান সংখ্যক ৰাজ্যিক তথ্য আয়ুক্তৰ দ্বাৰা যাৰ সৰ্বাধিক সংখ্য দহগৰাকীতকৈ অধিক হ'ব নোৱাৰিব।

৩) ৰাজ্যিক মুখ্য তথ্য আয়ুক্ত আৰু ৰাজ্যিক তথ্য আয়ুক্ত সকলক এখন কমিটীৰ চুপাৰিশ অনুসৰি ৰাজ্যপালে নিযুক্তি দিব; যি কমিটী গঠিত হ'ব -----

ক) মুখ্যমন্ত্ৰী; যি উক্ত কমিটীৰ সভাপতি হ'ব;

খ) বিধান সভাৰ বিৰোধী দলৰ দলপতি ; আৰু

গ) মুখ্যমন্ত্ৰীৰ দ্বাৰা মনোনীত এগৰাকী কেবিনেট মন্ত্ৰীক লৈ।

ব্যাখ্যা :--- যি কোনো ধৰণৰ সন্দেহ নিৰসন কৰাৰ উদ্দেশ্যে ইয়াৰ দ্বাৰাই ঘোষণা কৰা হ'ল যে যদি বিৰোধী দলৰ দলপতি জনক অগ্ৰাহ্য কৰা হয় তেতিয়া বিধান সভাত চৰকাৰখনৰ বিৰোধী একক সংখ্যাগৰিষ্ঠ দলৰ দলপতি জনকেই বিৰোধী দলপতি আখ্যা দিয়া হ'ব।

৪) সাধাৰণ তদাৰকী; নিৰ্দেশনা আৰু পৰিচালনা আদি বিষয়বোৰ ৰাজ্যিক মুখ্য তথ্য আয়ুক্তৰ ওপৰত ন্যস্ত থাকিব; এই ক্ষেত্ৰত তেওঁক ৰাজ্যিক তথ্য আয়ুক্তসকলে এই আইনৰ অধীনত অন্য কোনো কৰ্তৃপক্ষৰ নিৰ্দ্দেশ নোলোৱাকৈয়ে ওপৰত উল্লিখিত সকলো বিষয়ৰ ওপৰত স্বতন্ত্ৰভাবে ক্ষমতা প্ৰয়োগ আৰু সকলো কাম কৰাত সহায় কৰিব ।

৫) ৰাজ্যিক মুখ্য তথ্য আয়ুক্তজন আৰু ৰাজ্যিক তথ্য আয়ুক্তসকল আৱশ্যেই আইন, বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা, সমাজসেৱা, ব্যৱস্থাপনা, সাংবাদিকতা, গন মাধ্যম বা প্ৰশাসন আৰু চৰকাৰী কাম-কাজত অভিজ্ঞতালব্ধ ব্যক্তি হ'ব লাগিব ।

৬) কোনো ৰাজ্যিক মুখ্য তথ্য আয়ুক্ত বা ৰাজ্যিক তথ্য আয়ুক্ত সংসদৰে হওক বা কোনো ৰাজ্যৰ বিধানসভা বা কেন্দ্ৰীয় শাসিত ৰাজ্যৰে সদস্য হ'ব নালাগিব অথবা কোনোধৰণৰ লাভজনক কামৰ লগত জড়িত বা কোনো ৰাজনৈতিক দলৰ লগত সম্পৰ্ক ৰখা বা কোনো ধৰনৰ ব্যৱসায় বা বৃত্তিত জড়িত থকা হ'ব নালাগিব ।

৭) ৰাজ্য চৰকাৰে চৰকাৰী ৰাজপত্ৰত দিয়া জাননীত নিৰ্দ্দিষ্ট কৰা স্থানত ৰাজ্যিক তথ্য আয়ুক্তৰ সদৰ কাৰ্য্যালয়বোৰ স্থাপিত হ'ব আৰু ৰাজ্যিক তথ্য আয়ুক্তই ৰাজ্য চৰকাৰৰ আগতীয়া অনুমোদন লৈ ৰাজ্যৰ আন আন স্থানতো কাৰ্য্যালয় পাতিব পাৰিব ।

কাৰ্য্যকাল আৰু সেৱাৰ চৰ্ত

১৬). (১) ৰাজ্যিক মুখ্য তথ্য আয়ুক্তজনে কামত যোগ দিয়া তাৰিখৰে পৰা পাঁচ বছৰ কাল কাৰ্য্য নিৰ্বাহ কৰিব আৰু তেওঁ পুনৰ নিযুক্তি পাবৰ বাবে যোগ্য নহ'ব যাতে কোনো মুখ্য তথ্য আয়ুক্তই পয়ষষ্ঠি বছৰ বয়স হোৱাৰ পিছতো তেনেদৰে কাৰ্য্যনিৰ্বাহ কৰি নাথাকে ।

২) প্ৰতিজন ৰাজ্যিক তথ্য আয়ুক্তই কৰ্মত যোগ দিয়াৰ তাৰিখৰ পৰা পাঁচ বছৰ কালৰ বাবে কাৰ্য্য নিৰ্বাহ কৰিব বা ৬৫ বছৰ বয়স পৰ্য্যন্ত কাৰ্য্য নিৰ্বাহ কৰিব, যিটোৱে আগতীয়াকৈ হয়, আৰু ৰাজ্যিক তথ্য আয়ুক্ত হিচাপে পুনৰ নিযুক্তিৰ পাবৰ বাবে যোগ্য বিবেচিত নহ'ব।

যাতে প্ৰতিজন ৰাজ্যিক তথ্য আয়ুক্তই এই উপদফাৰ অধীনত নিজৰ পদতো এৰি দি ১৫ নং দফাৰ উপদফা (৩)ত নিৰ্দ্দিষ্ট কৰি দিয়া ধৰণে ৰাজ্যিক মুখ্য তথ্য আয়ুক্ত পিচাপে নিযুক্তি পাবলৈ যোগ্য বিবেচিত হ'য়;

আৰু যাতে, ৰাজ্যিক তথ্য আয়ুক্তজনক যেতিয়া ৰাজ্যিক মুখ্য তথ্য আয়ুক্ত হিচাপে নিযুক্তি দিয়া হয় তেতিয়া তেওঁৰ কাৰ্য্যকাল ৰাজ্যিক তথ্য আয়ুক্ত আৰু ৰাজ্যিক মুখ্য তথ্য আয়ুক্ত হিচাপে লগ লগাই ৫ বছৰৰ অধিক হ'ব নোৱাৰিব

৩) ৰাজ্যিক মুখ্য তথ্য আয়ুক্ত বা ৰাজ্যিক তথ্য আয়ুক্তই কামত যোগ দিয়াৰ পূৰ্বে ৰাজ্যপাল বা তেওঁৰ দ্বাৰা নিযুক্ত আন ব্যক্তিৰ আগত প্ৰথম সূচীত এই উদ্দেশ্যে দিয়া প্ৰ-পত্ৰ মতে শপত বা নিশ্চিতি দিব লাগিব ।

৪) ৰাজ্যিক মুখ্য তথ্য আয়ুক্ত বা ৰাজ্যিক তথ্য আয়ুক্ত এজনে যিকোনো সময়তে ৰাজ্যপাললৈ উদ্দেশ্যে কৰি নিজে লেখি পদ ইস্তফা দিব পাৰিব।

ৰাজ্যিক মুখ্য তথ্য আয়ুক্ত বা ৰাজ্যিক তথ্য আয়ুক্তক ১৭ নং দফাৰ অধীনত নিৰ্দ্দিষ্ট কৰি দিয়া ধৰণে পদৰ পৰা আতৰাব পৰা যাব ।

৫) এই পদত পাবলগীয়া দৰমহা আৰু ভাট্টা আৰু এই পদৰ আন আন চৰ্তাৱলী----

ক) ৰাজ্যিক মুখ্য তথ্য আয়ুক্তৰ দৰমহা আৰু ভাট্টা আৰু অন্যান্য চৰ্ত্তাৱলী নিৰ্বাচন আয়ুক্তৰ সৈতে একে হ'ব।

খ) ৰাজ্যিক তথ্য আয়ুক্ত গৰাকী ৰাজ্য চৰকাৰৰ মুখ্য সচিবৰ সমপৰ্য্যায়ৰ হ'ব।

উল্লেখ থাকে যে ৰাজ্যিক মুখ্য তথ্য আয়ুক্ত বা ৰাজ্যিক তথ্য আয়ুক্তগৰাকী যদিহে আগতে ভাৰত চৰকাৰ অথবা ৰাজ্য চৰকাৰৰ চাকৰিয়াল আছিল আৰু নিযুক্তিৰ সময়ত তাৰ বাবদ অক্ষমতা প্ৰাপ্তি বা আঘাতজনিত পেঞ্চনৰ বাহিৰে যি পৰিমাণৰ ধন পেঞ্চন হিচাপে লাভ কৰিছিল তাৰ সৈতে পেঞ্চনৰ পৰিবৰ্ত্তিত অংশৰ পৰিমাণখিনি লগতে অৱসৰকালীন সা-সুবিধাৰ বাবদ লাভ কৰা পেঞ্চনৰ ধনৰ আকাৰত হিচাপ কৰি উলিওৱা পৰিমানৰ ধনখিনি ৰাজ্যিক মুখ্য তথ্য আয়ুক্ত অথবা ৰাজ্যিক তথ্য আয়ুক্ত হিচাপে পাবলগীয়া বেতনৰ পৰা কমাই ধৰা হ'ব; অৱশ্যে অনুকম্পা সাহাৰ্য্য হিচাপে লাভ কৰা পেঞ্চনৰ ধন ইয়াত অন্তৰ্ভূক্ত কৰা নহ'ব।

পুনৰ উল্লেখ্য যে যদিহে নিযুক্তিৰ সময়ত ৰাজ্যিক মুখ্য তথ্য আয়ুক্ত অথবা ৰাজ্যিক তথ্য আয়ুক্ত গৰাকী আগতে কেন্দ্ৰীয় আইন অথবা কোনো ৰাজ্যিক আইনৰ দ্বাৰা গঠিত

নিগমত অথবা কেন্দ্ৰীয় চৰকাৰ অথবা কোনো ৰাজ্যিক চৰকাৰৰ নিজা অথবা তাৰ দ্বাৰা নিয়ন্ত্ৰিত চৰকাৰী কোম্পানীত চাকৰি কৰিছিল আৰু তাৰ বাবদ যি পৰিমাণৰ  অৱসৰকালীন সা-সুবিধাৰ পেঞ্চন লাভ কৰিছিল  সই পৰিমাণৰ টকা ৰাজ্যিক মুখ্য তথ্য আয়ুক্ত অথবা ৰাজ্যিক তথ্য আয়ুক্ত  হিচাপে সেৱা আগবঢ়োৱাৰ বাবে পাবলগীয়া পেঞ্চনৰ পৰা কমাই দিয়া হ'ব।

লগতে এয়াও উল্লেখ থাকে যে নিযুক্তিৰ পিছত ৰাজ্যিক মুখ্য তথ্য আয়ুক্ত আৰু ৰাজ্যিক তথ্য আয়ুক্তৰ দৰ্মহা, ভাট্টা আৰু সেৱাৰ চৰ্ত্তসমুহ সংশ্লিষ্ট পদাধিকাৰী গৰাকী ক্ষতিৰ সন্মুখীন হ'ব পৰা ধৰণে সাল-সলনি কৰিব পৰা নহ'ব।

৬) এই আইনৰ অধীনত দক্ষতাৰে কাম-কাজ সমূহ সম্পাদন কৰাৰ ক্ষেত্ৰত ৰাজ্যিক মুখ্য তথ্য আয়ুক্ত আৰু ৰাজ্যিক তথ্য আয়ুক্তসকলক সহায় কৰিবৰ নিমিত্তে যাবতীয় বিষয়া আৰু কৰ্মচাৰীৰ ব্যৱস্হা ৰাজ্য চৰকাৰে কৰি দিব, আৰু এই আইনৰ উদ্দেশ্যত এনেদৰে নিযুক্তি দিয়া বিষয়া আৰু কৰ্মচাৰীসকলৰ বাবে দিবলগীয়া বেতন আৰু ভাট্টা  তথা সেৱাৰ চৰ্ত্তসমূহ যিধৰণে নিৰূপিত কৰি দিয়া হয় তেনেধৰণৰ হ'ব।

ৰাজ্যিক মুখ্য তথ্য আয়ুক্ত বা ৰাজ্যিক তথ্য আয়ুক্তৰ অপসাৰণ

১৭. (১) উপধাৰা (৩)ৰ ব্যৱস্হাৱলীৰ অধীনত ৰাজ্যপালৰ চুপাৰিশ মৰ্মে তদন্তৰ পিছত উচ্চতম ন্যায়ালয়ে দিয়া সেউজ সংকেত অনুসৰি প্ৰমাণিত অসৎ আচৰণ অথবা অক্ষমতাৰ বাবে কেৱল ৰাজ্যপালৰ আদেশক্ৰমে ৰাজ্যিক মুখ্য তথ্য আয়ুক্ত অথবা যিকোনো ৰাজ্যিক তথ্য আয়ুক্তকে তেওঁৰ পদবীৰ পৰা অপসাৰণ কৰিব পাৰিব।

২) উপদফা (১)ৰ অধীনত উচ্চতম ন্যায়ালয়ত উত্থাপন কৰা প্ৰসঙ্গ সম্পৰ্কে উচ্চতম ন্যায়ালয়ৰ পৰা লাভ কৰা প্ৰতিবেদনৰ ভিত্তিত ৰাজ্যপালে নিৰ্দ্দেশ জাৰি নকৰালৈকে ৰাজ্যপালে তেওঁলোকক পদৰ পৰা নিলম্বিত কৰিব পাৰে আৰু প্ৰয়োজন বোধ কৰিলে তদন্ত চলি থকা কালত কাৰ্য্যালয়ত উপস্হিত থকাৰ পৰা বাৰণ কৰিব পাৰে ।

৩) উপ-দফা (১)ত থকা ব্যৱস্থাৱলীৰ উপৰিও ৰাজ্যপালে নির্দ্দেশ অনুসৰি ৰাজ্যিক মুখ্য তথ্য আয়ুক্ত বা ৰাজ্যিক তথ্য আয়ুক্তক পদৰ পৰা আঁতৰাব পাৰিব, যদিহে ৰাজ্যিক মুখ্য তথ্য আয়ুক্ত বা ৰাজ্যিক তথ্য আয়ুক্ত, যিজনেই হওঁক------

ক) তেওঁ এজন দেউলীয়া হিচাপে চিহ্নিত হয়;

খ) এনে কোনো অপৰাধত অভিযুক্ত যিটো ৰাজ্যপালৰ মতে নৈতিক চৰিত্ৰৰ স্খলনৰ পৰিচায়ক অথবা

গ) নিজৰ কার্য্যালয়ৰ কর্ত্তব্যৰ বাহিৰেও যিকোনো বেতনভোগী কামত নিযুক্ত হ'য়, বা

ঘ) ৰাজ্যপালৰ মত অনুসৰি মানসিক বা শাৰীৰিকভাবে কর্ত্তব্য সম্পাদন কৰিবলৈ অক্ষম, বা

ঙ) ৰাজ্যিক মুখ্য তথ্য আয়ুক্ত বা ৰাজ্যিক তথ্য আয়ুক্ত হিচাপে সম্পাদন কৰা কামত প্ৰাপ্ত বিত্তীয় বা অন্যান্য সা-সুবিধাই কাম-কাজ পক্ষপাতিত্বমূলক ভাবে ক্ষতিগ্ৰস্ত কৰিলে।

৪) যদি ৰাজ্যিক মুখ্য তথ্য আয়ুক্ত বা এজন বা ৰাজ্যিক তথ্য আয়ুক্তই কোনো সন্নিবিষ্ট কোম্পানীৰ সদস্য ব্যতিৰেকে ৰাজ্য চৰকাৰৰদ্বাৰা বা ৰাজ্য চৰকাৰৰহে কোনো প্ৰকাৰে কোনো চুক্তি বা কোনো সন্মতিত জড়িত হৈ পৰে বা যদি কোনো লাভালাভ বা কোনো বেতন আদি গ্ৰহণ কৰে, তেতিয়া তেওঁক , উপবিধি (১)ৰ উদ্দেশ্যে অসৎ আচৰণত দোষী সাব্যস্ত কৰিব পৰা যাব।

## পঞ্চম অধ্যায়

### তথ্য আয়োগসমূহৰ ক্ষমতা আৰু কাম-কাজ, আবেদন আৰু শাস্তি

### তথ্য আয়োগসমূহৰ  ক্ষমতা আৰু কাম-কাজ

১৮. (১) এই আইনৰ দফা সাপেক্ষে কেন্দ্ৰীয় তথ্য আয়োগ বা ৰাজ্যিক তথ্য আয়োগৰ কৰ্ত্তব্য হ'ব যিকোনো  লোকৰ পৰা অভিযোগ গ্ৰহণ কৰা আৰু সেই অভিযোগৰ তদন্ত কৰা । যিসকল লোকৰ পৰা এনে অভিযোগ আহিব পাৰে , তেনে লোকসকল হ'ল------

ক) এনে এজন ব্যক্তি যিজনে কেন্দ্ৰীয় লোক তথ্য বিষয়া বা  ৰাজ্যিক লোক তথ্য বিষয়াক অনুৰোধ কৰবলৈ অসমৰ্থ , যিহেতু এই আইনৰ অধীনত এনে কোনো বিষয়া নিয়োগ কৰা হোৱা নাই, নাইবা যিহেতু আইনখনৰ ১৯ নং দফাৰ উপ-দফা (১)ত উল্লেখিত কেন্দ্ৰীয় লোক তথ্য বিষয়া বা ৰাজ্যিক লোক তথ্য বিষয়া বা জ্যেষ্ঠ বিষয়া বা কেন্দ্ৰীয় তথ্য আয়োগ বা ৰাজ্যিক তথ্য আয়োগলৈ তথ্য বিচাৰি আবেদন পঠিয়াই দিয়াৰ  অৰ্থে এই আইনৰ অধীনত কেন্দ্ৰীয় সহকাৰী লোক তথ্য বিষয়া  বা ৰাজ্যিক সহকাৰী লোক তথ্য বিষয়াই উক্ত ব্যক্তিজনৰ আবেদন গ্ৰহণ কৰিবলৈ অমান্তি হয়।

খ)  এনে একোজন ব্যক্তি যিজনক এই আইনৰ অধীনত অনুৰোধ কৰা যিকোনো তথ্যৰ সহজলভ্যতাক অগ্ৰাহ্য কৰা হৈছে।

গ)  এনে একোজন ব্যক্তি যিজনক এই আইনৰ অধীনত নিৰ্দ্দিষ্ট কৰি দিয়া সময়-সীমাৰ ভিতৰত তথ্য বিচাৰি কৰা অনুৰোধৰ কোনো সঁহাৰি দিয়া নহ'ল।

ঘ)  এনে একোজন ব্যক্তি যিজনে দিবলগা মাচুলক অযুক্তিসঙ্গত বুলি বিবেচনা কৰি সেই মাচুল দিব লগা হৈ আছে।

ঙ)  এনে একোজন ব্যক্তি যিজনে বিশ্বাস কৰে যে এই আইনৰ অধীনত তেওঁক দিব লগা তথ্যসমূহ অসম্পূৰ্ণ, বিপথে পৰিচালিত বা অসত্য।

চ)   এই আইনৰ অধীনত নথিপত্ৰৰ বাবে কৰা অনুৰোধ বা সহজ প্ৰাপ্তি সম্পৰ্কীয় যিকোনো বিষয়ৰ ক্ষেত্ৰত।

২) যেতিয়া কেন্দ্ৰীয় তথ্য আয়োগ বা ৰাজ্যিক তথ্য আয়োগে পতিয়ন যাব পাৰে যে কোনো এটা বিষয়ৰ তদন্তৰ বাবে যথাযথ ভিত্তি বিৰাজমান, তেনে ক্ষেত্ৰত সংশ্লিষ্ট আয়োগে তদন্ত আৰম্ভ কৰিব পাৰে।

৩) আইনৰ এই দফাৰ অধীনত যেতিয়া কোনো এটা বিষয় তদন্ত কৰা হয়, তেতিয়া ১৯০৮ চনৰ দেৱানী বিধিৰ ৫ নং ধাৰাৰ অধীনত এখন দেৱানী আদালতে এটা মোকৰ্দ্দমা বিচাৰ কৰোতে  সেই আদালতৰ যিবোৰ ক্ষমতা থাকে, সেই একেবোৰ ক্ষমতা কেন্দ্ৰীয় তথ্য আয়োগ অথবা ৰাজ্যিক তথ্য আয়োগে লাভ কৰিব। যিবোৰ ক্ষেত্ৰত এই কথা প্ৰযোজ্য হ'ব, তেনে ক্ষেত্ৰবোৰ হ'ল, এনেধৰণৰ:-----

ক) কোনো লোকক মাতি পঠিওৱা আৰু তেওঁলোকৰ উপস্থিতি নিশ্চিত কৰা আৰু লগতে  তেওঁলোকক মৌখিক বা লিখিত সাক্ষ্য দিবলৈ আৰু কাগজ-পত্ৰ দাখিল কৰিবলৈ বাধ্য কৰা।

খ) কাগজ-পত্ৰৰ আৱিষ্কাৰ আৰু পৰ্য্যালোচনাৰ  প্ৰয়োজনীয়তাৰ ক্ষেত্ৰত।

গ) শপতনামাত সাক্ষ্য-প্ৰমাণ গ্ৰহণ।

ঘ) কোনো আদালত বা কাৰ্য্যালয়ৰ পৰা কোনো ৰাজহুৱা কাগজ-পত্ৰ অধিগ্ৰহণ কৰা ক্ষেত্ৰত।

ঙ) সাক্ষীবাদী অথবা কাগজ-পত্ৰ পৰীক্ষাকৰাৰ বাবে মাতি পঠিওৱাৰ ক্ষেত্ৰত।

চ) নিৰ্দ্ধাৰণ কৰি দিয়া আন যিকোনো বিষয়ৰ ক্ষেত্ৰত।

৪) সংসদ বা ৰাজ্যিক বিধানসভাৰ যিকোনো বিধিত কোনো সামঞ্জস্যহীন  কথা থকা সত্বেও এই বিধিৰ অধীনত যিকোনো অভিযোগ তদন্ত কৰাৰ সময়চোৱাত কেন্দ্ৰীয় তথ্য আয়োগ বা ৰাজ্যিক তথ্য আয়োগে যিকোনো কাগজ-পত্ৰ পৰীক্ষা কৰিব পাৰে, যিবোৰ কাগজ-পত্ৰলৈ এই বিধি প্ৰযোজ্য আৰু যিবোৰ ৰাজহুৱা কৰ্তৃপক্ষৰ নিয়ন্ত্ৰণাধীন আৰু কোনো ক্ষেত্ৰতেই এনেধৰণৰ কাগজ-পত্ৰ ইয়াৰ পৰা নামঞ্জুৰ কৰিব নোৱাৰিব ।

আৱেদন

১৯.(১) উপদফা নং ১ ত বা ৭ নং দফাৰ ৩ নং উপদফাৰ (ক) দফাত নিৰ্দ্দিষ্ট কৰি দিয়া সময়চোৱাত যিলোকে এটা সিদ্ধান্ত নাপায়, নাইবা কেন্দ্ৰীয় লোক তথ্য বিষয়া বা ৰাজ্যিক লোক তথ্য বিষয়াই দিয়া সিদ্ধান্তৰ দ্বাৰা ক্ষুন্ন হয়, তেনে ব্যক্তিয়ে এনে সময়ৰ পৰিসমাপ্তিৰ পৰা বা এনে সিদ্ধান্ত গ্ৰহণৰ পৰা ৩০ দিনৰ ভিতৰত কেন্দ্ৰীয় লোক তথ্য বিষয়া বা ৰাজ্যিক লোক তথ্য বিষয়াতকৈ জ্যেষ্ঠ বিষয়াৰ ওচৰত আৱেদন কৰিব পাৰে।

যদি আৱেদনকাৰীজনক সময়মতে আৱেদন দাখিল কৰাত বাধা দিয়াৰ যথেষ্ট কাৰণ থকা বুলি বিষয়াগৰাকীয়ে মানি লয় বা সন্তুষ্ট হয় তেনে বিষয়াই ৩০ দিনৰ পিছতো আবেদনখন গ্ৰহণ কৰিব পাৰে।

২) কোনো কেন্দ্ৰীয় লোক তথ্য বিষয়া বা ৰাজ্যিক লোক তথ্য বিষয়াই দিয়া এটি আদেশৰ বিৰুদ্ধে আৱেদন কৰিব বিচাৰিলে তৃতীয় পক্ষৰ তথ্য ফাদিল কৰাৰ বাবে থকা ১১ নং দফাৰ অধীনত সেই আদেশ দিয়া তাৰিখৰ পৰা ৩০ দিনৰ ভিতৰত সংশ্লিষ্ট তৃতীয় পক্ষই আৱেদন কৰিব লাগিব।

৩) উপদফা (১)ৰ অধীনত লোৱা সিদ্ধান্তৰ বিৰুদ্ধে দ্বিতীয়বাৰ আৱেদন কৰিলে সেই আবেদনখন কেন্দ্ৰীয় তথ্য আয়ুক্ত বা ৰাজ্যিক তথ্য আয়ুক্তই যি তাৰিখত সেই আবেদনৰ সিদ্ধান্ত দিয়া উচিত আছিল বা যি তাৰিখত প্ৰকৃততে আবেদনখন পাইছিল সেই তাৰিখৰ পৰা ৯০ দিনৰ ভিতৰত গ্ৰহণ কৰিব লাগে।

আৱেদনকাৰী জনক সময়মতে আৱেদন দাখিল কৰাত বাধা দিয়াৰ যথেষ্ট কাৰণ থকা বুলি পতিয়ন যাব পাৰিলে ৯০ দিনৰ পিছতো কেন্দ্ৰীয় তথ্য আয়োগ বা ৰাজ্যিক তথ্য আয়োগে আৱেদনখন গ্ৰহণ কৰিব পাৰিব।

৪) কেন্দ্ৰীয় লোক তথ্য বিষয়া বা ৰাজ্যিক লোক তথ্য বিষয়াৰ কোনো সিদ্ধান্তৰ বিৰুদ্ধে বিচৰা আবেদনখন যদি কোনো তৃতীয় পক্ষৰ তথ্যৰ লগত জড়িত হয় তেনেহ'লে, কেন্দ্ৰীয় তথ্য আয়োগ বা ৰাজ্যিক তথ্য আয়োগে (যিটোৱে প্ৰযোজ্য হয়

সেই আয়োগে ) তৃতীয় পক্ষক  যথেষ্ট  পৰিমাণে গোচৰটো শুনাৰ সুবিধা দিব লাগিব।

৫) আইনসাহৰ্য্য ব্যৱস্থাৱলীৰ বাবে কৰা যিকোনো আবেদনৰ ক্ষেত্ৰত যদি কোনো অনুৰোধ  অগ্ৰাহ্য কৰা হয় তেনেহ'লে সেইটো ন্যায়সংগত হৈছে নে নাই তাক প্ৰমাণিত কৰাটো অগ্ৰাহ্য কাৰী কেন্দ্ৰীয় লোক তথ্য বিষয়া বা ৰাজ্যিক লোক তথ্য বিষয়া (যিজেই প্ৰযোজ্য হয় )ৰ কৰ্ত্তব্য ।

৬) উপদফা  (১)বা উপদফা (২)ৰ অধীনৰ কোনো আৱেদনৰ ক্ষেত্ৰত আবেদন প্ৰাপ্তিৰ ৩০ দিনৰ ভিতৰত মীমাংসা কৰিব লাগিব বা তেনে সম্প্ৰসাৰিত সময় সেই আবেদন দিয়াৰ তাৰিখৰ পৰা মুঠ ৪৫ দিনৰ অধিক হ'ব নালাগিব (যিটোৱে প্ৰযোজ্য হয়) কাৰণ তাৰ যুক্তিসমূহ লিপিবদ্ধ কৰি ৰাখিব লাগিব।

৭) কেন্দ্ৰীয় তথ্য আয়োগ বা ৰাজ্যিক তথ্য আয়োগ যিটোৱে প্ৰযোজ্য হয় সেই আয়োগৰ সিদ্ধান্তই চূৰান্ত হ'ব।

৮) কেন্দ্ৰীয় তথ্য আয়োগ বা ৰাজ্যিক তথ্য আয়োগ যিটোৱে প্ৰযোজ্য হয় সেই আয়োগে লোৱা সিদ্ধান্তৰ ক্ষেত্ৰত থকা ক্ষমতাবোৰ হ'ল-----

ক)  প্ৰয়োজন হ'ব পৰা এনেধৰণৰ কোনো ব্যৱস্থা গ্ৰহণৰ ক্ষেত্ৰত লোক কৰ্তৃপক্ষক এই আইনৰ ব্যৱস্থাৱলী মানি চলাটো নিশ্চিত কৰা দৰকাৰ;

সেই ব্যৱস্থাবোৰ হ'ল:----

১) তথ্য জনাৰ অধিকাৰ বিচাৰি এখন নিৰ্দ্দিষ্ট প্ৰ-পত্ৰত অনুৰোধ কৰিলে তথ্য জনাৰ অধিকাৰ প্ৰদান ;

২) কোনো কেন্দ্ৰীয় লোক তথ্য বিষয়া বা ৰাজ্যিক লোক তথ্য বিষয়া যিজনেই প্ৰযোজ্য হয় তেওঁক নিযুক্তি দিয়া ;

৩) নিৰ্দ্দিষ্ট  তথ্য বা শ্ৰেণীবিভক্ত তথ্য প্ৰকাশ কৰা।

৪) তথ্য পাতিসমূহ চোৱা--চিতা ,পৰিচলনা আৰু নষ্ট কৰা সম্পৰ্কত ইয়াৰ কাম--কাজৰ ধৰণৰ প্ৰয়োজনীয় সংশোধন কৰা;

৫) ইয়াৰ কৰ্মচাৰীসকলৰ কাৰণে তথ্য জনাৰ অধিকাৰৰ ওপৰত প্ৰশিক্ষণৰ ব্যৱস্থা বৃদ্ধি কৰা;

৬) ক) (৪) নং দফাৰ (খ) দফাৰ উপ--দফা (১)ৰ লগত সংগতি ৰাখি এখন বৰ্ষিক প্ৰতিবেদন দিয়া;

খ) লোক কৰ্তৃপক্ষই অভিযোগকাৰীক কোনো লোকচান বা অন্যান্য ক্ষতিসাধন হ'লে তাৰ ক্ষতিপুৰণ কৰাটো দৰকাৰ;

গ) এই আইনৰ অধীনত প্ৰদান কৰা যিকোনো শাস্তি আৰোপ কৰা;

ঘ) আবেদনখন অগ্ৰাহ্য বা নাকচ কৰা।

৯) আপীলৰ কোনো অধিকাৰ, অভিযোগকাৰীআৰু লোক কৰ্তৃপক্ষকে ধৰি কেন্দ্ৰীয় তথ্য আয়োগ বা ৰাজ্যিক তথ্য আয়োগসমূহৰ ক্ষেত্ৰত যিটোৱেই প্ৰযোজ্য হয় তৰ সিদ্ধান্ত সম্পৰ্কে জাননী দিব লাগিব ।

১০) কেন্দ্ৰীয় তথ্য আয়োগ বা ৰাজ্যিক তথ্য আয়োগসমূহৰ যিটোৱে প্ৰযোজ্য হয় সিয়ে আপীলটোৰ ক্ষেত্ৰত নিৰ্দ্দিষ্ট নিয়ম অনুসাৰি সিদ্ধান্ত গ্ৰহণ কৰিব।

শাস্তি

২০. (১) কেন্দ্ৰীয় তথ্য আয়োগ বা ৰাজ্যিক তথ্য আয়োগে (যিটোৱে প্ৰযোজ্য হয়) কোনো অভিযোগ বা আপীলৰ সম্পৰ্কত সিদ্ধান্ত লোৱাৰ সময়ত মত পোষণ কৰে যে কেন্দ্ৰীয় লোক তথ্য বিষয়া বা ৰাজ্যিক লোক তথ্য বিষয়া (যিজনেই প্ৰযোজ্য হয় ) জনে কোনো উপযুক্ত কাৰণ নোহোৱাকৈয়ে তথ্য প্ৰদানৰ ক্ষেত্ৰত আবেদনখন লবলৈ অমান্তি হৈছে বা ৭ নং দফাৰ উপ--দফা (১)ৰ অধীনত নিৰ্দ্দিষ্ট সময়ৰ ভিতৰত তথ্য যোগান ধৰা নাই কু অভিপ্ৰায়েৰে তথ্যৰ বাবে কৰা অনুৰোধটো অগ্ৰাহ্য কৰে বা জানি বুজি অশুদ্ধ তথ্য দিয়ে, অসম্পূৰ্ণ বা ভূৱা বা মিছা তথ্য বা যিটো অনুৰোধটোৰ বিষয় আছিল তাৰ কাৰণে নষ্ট হোৱা তথ্য দিয়ে বা তথ্য যোগানত যিকোনো প্ৰকাৰে বাধা দিয়ে তেনেহ'লে আবেদনখন গ্ৰহণ কৰা বা যোগান ধৰা তথ্যৰ

তাৰিখলৈকে প্ৰতিদিনে ২৫০ টকাকৈ শাস্তি হিচাপে জৰিমনা আৰোপ কৰিব , সেয়ে হ'লেও তেনে শাস্তিৰ পৰিমাণ ২৫,০০০ টকাৰ অধিক হ'ব নালাগিব ।

কেন্দ্ৰীয় লোক তথ্য বিষয়া অ্থবা ৰাজ্যিক লোক তথ্য বিষয়া যিজনৰ ক্ষেত্ৰত প্ৰযোজ্য হয় তেওঁৰ ওপৰত কোনো শাস্তি আৰোপ কৰাৰ পূৰ্বে সেই সন্দৰ্ভত জানিবলৈ তেওঁক যথেষ্ট সুবিধা দিব লাগিব;

তদুপৰি কেন্দ্ৰীয় লোক তথ্য বিষয়া বা ৰাজ্যিক লোক তথ্য বিষয়া যিজনৰ ক্ষেত্ৰতে প্ৰযোজ্য হয় তেওঁ জানিবুজি আৰু নিজ বুদ্ধিমত্তাৰে সৈতে প্ৰমাণৰ ক্ষেত্ৰত বাধাদান কৰিছিল।

২) কেন্দ্ৰীয় তথ্য আয়োগ বা ৰাজ্যিক তথ্য আয়োগে (যিটোৱে প্ৰযোজ্য), কোনো এটা গোচৰ  বা আপীল সম্পৰ্কে সিদ্ধান্ত গ্ৰহণৰ সময়ত যদি এই মত পোষণ কৰে যে কেন্দ্ৰীয় লোক তথ্য বিষয়া বা ৰাজ্যিক লোক তথ্য বিষয়া যিজনৰ ক্ষেত্ৰতেই প্ৰযোজ্য হয় তেওঁ যদি ৭ নং দফাৰ উপদফা (১)ৰ অধীনত কোনো উপযুক্ত কাৰণ আৰু একেৰাহে তথ্যৰ কাৰণে কৰা আবেদনখন ল'বলৈ অপাৰগ হৈছিল বা নিৰ্দ্দিষ্ট সময়ৰ ভিতৰত তথ্য যোগান ধৰা নাছিল বা তথ্যৰ কাৰণে কৰা অনুৰোধটো কুঅভিপ্ৰায়েৰে দিবলৈ অস্বীকাৰ কৰিছিল বা অনুৰোধটোৰ মূল বিষয়টোক জানিবুজি অশুদ্ধ,অসম্পূৰ্ণকৈহে দিছিল বা বিপথে পৰিচালিত বা নষ্ট কৰি পেলোৱা তথ্য বা যিকোনো  প্ৰকাৰে তথ্য যোগানত বাধাদান কৰিছিল তেনেহ'লে সংশ্লিষ্ট কেন্দ্ৰীয় তথ্য বিষয়া বা ৰাজ্যিক লোক তথ্য বিষয়াজনৰ বিৰুদ্ধে সেৱা বিধিৰ অধীনত প্ৰযোজ্য হোৱাকৈ অনুশাসনমূলক ব্যৱস্থাৰ কাৰণে অনুমোদন জনাব ।

## ষষ্ঠ অধ্যায়

## সানমিহলি

ভাল /শুভ বিশ্বাসত লোৱা সুৰক্ষাৰ কাম

( ২১) এই আইন বা তাৰ অধীনত প্ৰণয়ন  কৰা কোনো বিধি বা নিয়মৰ অধীনত ভাল বিশ্বাসত কৰা বা কৰিবলৈ লোৱা কোনো কামৰ কাৰণে কোনো ব্যক্তিৰ বিৰুদ্ধে কোনো গোচৰ, শাস্তি বা অন্যান্য আইন সম্পৰ্কীয় ব্যৱস্থা লোৱা নহয়।

অতিৰিক্ত ফলপোৱাৰ  আইন

( ২২) এই আইনৰ ব্যৱস্থাৱলীত যদিওবা কোনো ফলপোৱাৰ কথাটো যুক্তিসংগত নহয় তথাপি চৰকাৰী গোপনীয়তা আইন ১৯২৩ৰ ১৯ ত থকা ব্যৱস্থাৱলীৰ মতে ফল পাব আৰু নিৰ্দ্দিষ্ট সময়ৰ কাৰণে বলবৎ হৈ থকা অন্যান্য কোনো আইন বা এই আইনৰ উপৰিও থকা কোনো আইনৰ বলত ফল পোৱা কোনো সহায়ক আইন বলবৎ হ’ব।

আদালতৰ  বিচাৰ ক্ষমতাত বাধা

( ২৩) এই আইনৰ অধীনত কোনো আদেশৰ ক্ষেত্ৰত কোনো আদালতে কোনো গোচৰ, আবেদন বা আন কাৰ্য্যব্যৱস্থা  গ্ৰহণ নকৰিব আৰু তেনে আদেশক সন্দেহত লব নোৱাৰিব যদিহে এই আইনৰ অধীনত বিচাৰৰ কাৰণে আপীল কৰা নহয়।

কেইটামান সংগঠনৰ ক্ষেত্ৰত এই আইন প্ৰযোজ্য নহয়

২৪.(১) এই আইনৰ দ্বিতীয় অনুসূচীত উল্লেখ থকা চোৰাংচোৱা আৰু নিৰাপত্তা সংস্থাবোৰ, যিবোৰ কেন্দ্ৰীয়  চৰকাৰৰ দ্বাৰা গঠন কৰা হয়  বা সেই চৰকাৰখনক তেনে সংস্থাবোৰে কোনো তথ্য যোগান ধৰিলে এই আইন প্ৰযোজ্য নহ’ব।

দুৰ্নীতি বা মানৱ অধিকাৰ উলঙ্ঘনৰ অভিযোগ থকা তথ্য থাকিলে এই উপদফাৰ অধীনত বাদ দিয়া নহ'ব। তদুপৰি বিচৰা তথ্য যদি মানৱ অধিকাৰ উলঙ্ঘনৰ অভিযোগৰ সন্দৰ্ভত হয় তেনেহ'লে সেই তথ্য কেন্দ্ৰীয় তথ্য আয়োগৰ অনুমোদন পোৱাৰ পিছতহে যোগান ধৰিব আৰু ৭ নং দফাত উল্লেখ নথকা সত্বেও এনে তথ্যৰ কাৰণে পোৱা অনুৰোধৰ দিনৰ পৰা ৪৫ দিনৰ ভিতৰত যোগান ধৰিব।

২) কেন্দ্ৰীয় চৰকাৰে চৰকাৰী ৰাজপত্ৰত জাননী দি চৰকাৰে পতা যিকোনো চোৰোংচোৱা বা নিৰাপত্তা সংস্থাকে ধৰি এই অনুসূচীখন সংশোধন কৰিব পাৰে বা তাত ইতিমধ্যে উল্লেখ থকা যিকোনো সংস্থাকে তাৰ পৰা বাদ দিব পাৰে আৰু এনে জাননী প্ৰকাশ কৰি এই অনুসূচীৰ ভিতৰত এনে সংস্থাবোৰক ভুক্ত কৰিব বা এই অনুসূচীৰ পৰা বাদ দিব পাৰে।

৩) উপদফা (২)ৰ অধীনত প্ৰকাশ কৰা প্ৰতিটো জাননীকে সংসদৰ উভয় সদনতে উত্থাপন কৰিব।

৪) ৰাজ্য চৰকাৰে গঠন কৰা এনেধৰণৰ চোৰোংচোৱা আৰু নিৰাপত্তা সংস্থাক সময়ে সময়ে চৰকাৰী ৰাজপত্ৰত জাননী জাৰি কৰি থাকে,সেয়ে এই আইনত থকা কোনো ব্যৱস্থাহ নাখাটিব;

যদিহে ,দুৰ্নীতি আৰু মানৱ অধিকাৰউলঙ্ঘনৰ অভিযোগৰ তথ্য থাকে তেনেহ'লে এই উপদফাৰ অধীনত বাদ দিব নালাগিব । তদুপৰি বিচৰা তথ্যটো যদি মানৱ অধিকাৰ উলঙ্ঘনৰ হয় তেনেহ'লে ৰাজ্যিক তথ্য আয়োগে অনুমোদন জনোৱাৰ পিচতহে তাক বাদ দিব পাৰিব আৰি ৭ নং দফাত এই সন্দৰ্ভত কোনো উল্লেখ নাথাকিলেও এনে তথ্যৰ কাৰণে কৰা অনুৰোধৰ তাৰিখৰ পৰা ৪৫ দিনৰ ভিতৰত দিব লাগিব।

৫) উপদফা (৪)ৰ অধীনত প্ৰকাশ কৰা প্ৰতিটো জাননীকে ৰাজ্যিক বিধানসভাত উত্থাপন কৰিব লাগিব।

## নিৰীক্ষণ আৰু প্ৰতিবেদন দাখিল

২৫. (১) কেন্দ্ৰীয় তথ্য আয়োগ বা ৰাজ্যিক তথ্য আয়োগে যিটোৱে প্ৰযোজ্য হয়, প্ৰতিবছৰৰ শেষত যিমান সোনকালে পৰা যায়, সেই বছৰটোত এই আইনখনৰ ব্যৱস্থাৱলী ৰূপায়ণৰ বিষয়ে এখন প্ৰতিবেদন প্ৰস্তুত কৰিব আৰু তাৰ পৰা এটা প্ৰতিলিপি সংশ্লিষ্ট চৰকাৰলৈ প্ৰেৰণ কৰিব।

২) প্ৰতিটো মন্ত্ৰালয় বা বিভাগে এই দফাৰ অধীনত প্ৰতিবেদন প্ৰস্তুত কৰাটো যিহেতু অতি দৰকাৰী সেয়ে, তেওঁলোকৰ নিজ পৰিসীমাৰ ভিতৰত থাকি লোক কৰ্তৃপক্ষৰ সন্দৰ্ভত এনে তথ্য সংগ্ৰহ কৰি কেন্দ্ৰীয় তথ্য আয়োগ বা ৰাজ্যিক তথ্য আয়োগক এনে তথ্যৰ যোগান ধৰিব আৰু সেই তথ্যৰ প্ৰয়োজনীয়তাৰ প্ৰতি সহাৰি জনাই তথ্য-পাতি মজুত ৰাখিব।

৩) যিটো বছৰৰ সংক্ৰান্তত প্ৰতিবেদন যুগুত কৰা হ'ব তাত উল্লেখ থাকিব----

ক) প্ৰতিটো লোক কৰ্তৃপক্ষক কৰা অনুৰোধৰ সংখ্যা;

খ) য'ত আবেদনকাৰীসকলক তেওঁলোকৰ অনুৰোধমৰ্মে তথ্য পাতি বিচৰাৰ অধিকাৰ নাথাকে তেনেক্ষেত্ৰত আইনখনৰ ব্যৱস্থাৱলী যাৰ অধীনত সিদ্ধান্ত লোৱা হয় তেনে ব্যৱস্থাৰ কাৰণে কিমান বাৰ অনুৰোধ জনোৱা হৈছিল আৰু সিদ্ধান্ত কিমান বাৰ লোৱা হৈছিল;

গ) কেন্দ্ৰীয় তথ্য আয়োগ বা ৰাজ্যিক তথ্য আয়োগক দাখিল কৰা আপীলৰ সংখ্যা, পুনৰ বিবেচনাৰ বাবে কৰা আপীলৰ ধৰণ আৰু আপীলৰ ফলাফল;

ঘ) এই আইনখনৰ প্ৰশাসনৰ ক্ষেত্ৰত কোনো বিষয়াৰ বিৰুদ্ধে কিবা অনুশাসনমূলক ব্যৱস্থা গ্ৰহণ কৰিলে তাৰ বিবৰণ।

ঙ) এই আইনৰ অধীনত প্ৰতিটো লোক কৰ্তৃপক্ষই সংগ্ৰহ কৰা অভিযোগৰ সংখ্যা;

চ) লোক কৰ্তৃপক্ষই এই আইনৰ মূলনীতি আৰু উদ্দেশ্য সাধন কৰা আৰু ৰূপায়ণ কৰা কোনো প্ৰচেষ্টাৰ কথা ইঙ্গিত দিলে;

ছ) বিশেষ লোক কৰ্তৃপক্ষৰ ক্ষেত্ৰত উন্নয়ন, প্ৰগতি, আধুনিকীকৰণ, সংস্কাৰ অনুমোদনাৱলীকে ধৰি সংস্কাৰৰ বাবে দিয়া অনুমোদনৱলী বা এই আইনৰ সংশোধন বা তথ্য জনা অধিকাৰ সাব্যস্ত কৰিব পৰা অন্য বিধেয়ক বা উমৈহতীয়া আইন বা অন্য  কোনো প্ৰাসংগিক বিষয়।

৪) প্ৰতিবছৰ শেষ হোৱাৰ পিছত যিমান সোনকালে সম্ভৱ হয় কেন্দ্ৰীয় চৰকাৰ বা ৰাজ্য চৰকাৰ যিটোৱে প্ৰযোজ্য হয়, কেন্দ্ৰীয় তথ্য আয়োগ বা ৰাজ্যিক তথ্য আয়োগৰ ওচৰত এখন প্ৰতিবেদন প্ৰস্তুত কৰিব আৰু  উপদফা  (১)ৰ মৰ্মে সংসদৰ প্ৰতিটো সদনত বা ৰাজ্যিক বিধান সভাত,( যিটোৱে প্ৰযোজ্য হয়) যদি ৰাজ্যিক বিধান সভাৰ দুটা সদন থাকে  তেনেহ'লে উভয়তে আৰু যদি ৰাজ্যিক বিধান সভাৰ এটা সদন থাকে তেনেহ'লে সেই সদনত উত্থাপন কৰিব।

৫) যদি কেন্দ্ৰীয়  তথ্য আয়োগ বা ৰাজ্যিক তথ্য আয়োগে ( যিটোৱে প্ৰযোজ্য হয়) ভাবে যে কাম-কাজ সম্পাদনৰ ক্ষেত্ৰত এটা লোককৰ্তৃপক্ষৰ কাম কৰাৰ ধৰণ কৰণৰ লগত এই আইনৰ ব্যৱস্থাৱলী বা মূল নীতিৰ সংগতি নাই,তেনেহ'লে সেই কৰ্তৃপক্ষ তেনে সংগতি সাধন উন্নত কৰাৰ কাৰণে লব লগা ব্যৱস্থাৱলী উল্লেখ কৰি অনুমোদন দিব লাগে।

আঁচনি প্ৰস্তুত কৰিবলৈ যথাৰ্থ চৰকাৰ

২৬. (১)  বিত্তীয় আৰু অন্যান্য সম্পদৰ প্ৰাচুৰ্য্য অনুসৰি যথাৰ্য চৰকাৰখনে কৰিব পৰা কামবোৰ-------

ক) জনসাধাৰণৰ বিশেষকৈ সা--সুবিধা বঞ্চিত সম্প্ৰদায়ৰ লোকৰ বাবে এই আইনৰ অধীনত প্ৰস্তাবিত অধিকাৰসনূহ কিদৰে ব্যৱহাৰ কৰিব সেইবোৰ ভালদৰে বুজিবৰ কাৰণে শৈক্ষিক আঁচনিবোৰৰ বিকাশ সাধন আৰু সংগঠিত কৰা;

খ)  লোক কৰ্তৃপক্ষসমুহক দফা (ক)ত উল্লেখ কৰা আঁচনিবোৰৰ বিকাশ সাধন আৰু সাংগঠনিক কামকাজত অংশ গ্ৰহণত উৎসাহিত কৰা আৰু তেনে আঁচনি তেওঁলোকে নিজেই হাতত লোৱা;

গ) লোক কৰ্তৃপক্ষসমূহে তেওঁলোকৰ কাম-কাজসমূহৰ বিষয়ে সম্পূৰ্ণ সত্য তথ্য সঠিক সময়ত আৰু ফলপ্ৰসূ ভাবে বিতৰণ /প্ৰচাৰ কৰা; আৰু

ঘ) লোক কৰ্তৃপক্ষসমূহৰ  সম্বন্ধে কেন্দ্ৰীয় লোক তথ্য বিষয়া বা ৰাজ্যিক লোক তথ্য বিষয়া সকলক প্ৰশিক্ষণ দিয়া আৰু লোক কৰ্তৃপক্ষসমূহে নিজেই ব্যৱহাৰ কৰিবৰ কাৰণে প্ৰাসংগিক প্ৰশিক্ষণ সামগ্ৰী প্ৰস্তুত কৰা।

২) যথাৰ্থ চৰকাৰখনে এই আইনখন আৰম্ভ হোৱাৰ ১৮মাহৰ ভিতৰত আইনখনে নিৰ্দ্দেশ কৰা কোনো অধিকাৰ সাব্যস্ত কৰিব খোজা ব্যক্তিজনৰ যদি প্ৰয়োজন হয় তেনেহ'লে সহজে বুজিব পৰা আকাৰত আৰু ধৰণত তেনে তথ্য সন্নিবিষ্ট কৰি ইয়াৰ চৰকাৰী ভাষাত এখন হাত পুথি বা গাইডবুক সংকলন কৰিব।

৩) বিশেষকৈ উপদফা (২)ৰ অন্তৰ্গত সৰ্বসাধাৰণৰ ক্ষেত্ৰত কোনো পক্ষপাত নকৰাকৈ যথাৰ্থ চৰকাৰখনে প্ৰয়োজন হ'লে উপদফা (২)ত উল্লেখ থকা নিৰ্দ্দেশনাৱলী সময়োপযোগী কৰিব আৰু ছপাব ;তাত থাকিব -----

ক) আইনখনৰ লক্ষ্য;

খ) ৫ নং দফাৰ উপদফা (১)ৰঅধীনত নিযুক্ত প্ৰতিটো লোককৰ্তৃপক্ষৰ সম্বন্ধে জানিবলৈ সংশ্লিষ্ট কেন্দ্ৰীয় লোক তথ্য বিষয়া বা ৰাজ্যিক লোক তথ্য বিষয়াৰ ডাক পথৰ ঠিকনা,ফোন আৰু ফেক্স নম্বৰ আৰু যদি থাকে ইলেক্ট্ৰনিক মেইলৰ ঠিকনা দিব;

গ) সংশ্লিষ্ট কেন্দ্ৰীয় লোক তথ্য বিষয়া বা ৰাজ্যিক লোক তথ্য বিষয়া এজনলৈ এটা তথ্যৰ অধিকাৰ পাবৰ কাৰণে কি ধৰণে আৰু কি আকাৰত অনুৰোধ কৰিব লাগিব তাক জনা ;

ঘ) এই আইনৰ অধীনত এটা লোককৰ্তৃপক্ষ সম্বন্ধে সংশ্লিষ্ট কেন্দ্ৰীয় লোক তথ্য বিষয়া বা ৰাজ্যিক লোক তথ্য বিষয়াৰ পৰা পোৱা সাহাৰ্য্য আৰু কৰ্ত্তব্য ;

ঙ) কেন্দ্ৰীয় তথ্য আয়োগ আৰু ৰাজ্যিক তথ্য আয়োগ যিটোৱে প্ৰযোজ্য হয় তাৰ পৰা পোৱা সাহাৰ্য্য;

চ) আয়োগলৈ কৰা আপীল বা আবেদনখন পূৰণ কৰাৰ ধৰণকে ধৰি এই আইনখনৰ দ্বাৰা আৰোপিত বা প্ৰদত্ত অধিকাৰ বা কৰ্ত্তব্যৰ ক্ষেত্ৰত কোনো কাম কৰাত সক্ষম বা অক্ষম হলে সেই সম্পৰ্কে সকলো প্ৰতিকাৰৰ ব্যৱস্থা আইনত আছে;

ছ) ৪ নং দফাৰ মতে শ্ৰেণীবিভক্ত কিছুমান তথ্যপাতি স্বেচ্ছাই প্ৰকাশ কৰিবৰ কাৰণে ব্যৱস্থাৱলী প্ৰদান কৰা ;; জ) কোনো এক তথ্যৰ অধিকাৰৰ কাৰণে কৰা অনুৰোধৰ ক্ষেত্ৰত দিব লগা মাচুল সন্দৰ্ভত থকা জাননীবোৰ;আৰু

ঝ) এই আইন অনুসৰি কোনো এক তথ্যৰ অধিকাৰৰ ক্ষেত্ৰত কৰা কোনো অতিৰিক্ত আইন বা জাৰি কৰা বা প্ৰকাশ কৰা জাননীবোৰ ।

৪) যদি প্ৰয়োজন হয় যথাৰ্থ চৰকাৰখনে নিয়মিয়াকৈ নিৰ্দ্দেশনাৱলীবোৰ সময়সাপেক্ষ কৰিব আৰু ছপাব ।

যথাৰ্থ চৰকাৰে নিয়ম প্ৰণয়ন কৰাৰ ক্ষমতা

২৭. (১) যথাৰ্থ চৰকাৰখনে এই আইনৰ ব্যৱস্থাৱলী ৰূপায়ণ কৰিবলৈ চৰকাৰী ৰাজপত্ৰত জাননী জাৰি কৰি নিয়ম প্ৰণয়ন কৰিব পাৰে।

২) বিশেষ ক্ষেত্ৰত আৰু পূৰ্ববৰ্ত্তী ক্ষমতাৰ সাৰ্বজনীনতাৰ লগত কোনো পক্ষপাত নকৰাকৈ সকলোৰে কাৰণে এনে নিয়মবিলাক প্ৰদান কৰিব পাৰি বা যিকোনো বিষয় তলত উল্লেখ কৰা ধৰণে কৰিব পাৰি,যেনে:---

ক) ৪ নং দফাৰ উপদফা (৪)ৰ অধীনত বিতৰণ কৰিবলগীয়া প্ৰবন্ধপাতি সমূহৰ মাধ্যম ব্যয় আৰু ছপা খৰছ মূল্য;

খ) ৬ নং দফাৰ উপদফা (১)ৰ অধীনত আদায় দিবলগীয়া মাচুল;

গ) ৭ নং দফাৰ উপদফা (১)আৰু (৫)ৰ অধীনত দিবলগীয়া মাচুল;

ঘ) ১৩ নং দফাৰ উপদফা (৬)আৰু ১৬ নং দফাৰ উপদফা (৬)ৰ অধীনত বিষয়া আৰু কৰ্মচাৰী সকলক দিবলগীয়া দা--দৰ্মহা আৰু অন্যান্য ভাট্টাবোৰ আৰু চাকৰিৰ ম্যাদ আৰু চৰ্তসমূহ;

ঙ) ১৯ নং দফাৰ উপদফা (১০)ৰ অধীনত আৱেদনসমূহৰ ওপৰত সিদ্ধান্ত লোৱাৰ উদ্দেশ্যে সংশ্লিষ্ট কেন্দ্ৰীয় তথ্য আয়োগ বা ৰাজ্যিক তথ্য আয়োগে প্ৰয়োগ কৰিব লগা নিয়ম, আৰু

চ) প্ৰয়োজন হ'ব পৰা বা গ্ৰহণযোগ্য অন্যান্য যিকোনো বিষয়।

সক্ষম কৰ্তৃপক্ষৰ নিয়ম প্ৰণয়নত থকা ক্ষমতা

২৮. (১) এই আইনৰ ব্যৱস্থাৱলী ৰূপায়ণ কৰিবলৈ সক্ষম কৰ্তৃপক্ষই চৰকাৰী ৰাজপত্ৰত জাননী জৰি কৰি নিয়ম প্ৰণয়ন কৰিব পাৰে।

২) বিশেষ ক্ষেত্ৰত আৰু পূৰ্ববৰ্তী ক্ষমতাৰ সাৰ্বজনীনতাৰ ক্ষেত্ৰত কোনো পক্ষপাত নকৰাকৈ সকলোৰে কাৰণে এনেধৰণৰ নিয়ম প্ৰদান বা তলত দিয়া ধৰণে কৰিব পাৰে, যেনে-----

ক) ৪ নং দফাৰ উপদফা (৪)ৰ অধীনত বিতৰণ কৰিবলগীয়া প্ৰবন্ধপাতিৰ মাধ্যম ব্যয় আৰু ছপা খৰছ মূল্য;

খ) ৬ নং দফাৰ উপদফা (১)ৰ আদায় দিবলগীয়া মাচুল;

৩) ৭ নং দফাৰ উপদফা (১)ৰ অধীনত আদায় দিবলগীয়া মাচুল;আৰু

৪) প্ৰয়োজন হ'ব পৰা বা গ্ৰহণযোগ্য অন্যান্য বিষয়।

নিয়মাৱলীৰ উপস্থাপন

২৯ (১) এই আইনৰ অধীনত কেন্দ্ৰীয় চৰকাৰে প্ৰণয়ন কৰা প্ৰতিটো বিধি বা নিয়মকেই অধিবেশন চলি থকা সময়ত এক, দুই বা তাতোধিক ক্ৰমাগত অধিবেশন আৰু যদি অধিবেশন শেষ হোৱাৰ পূৰ্বেই হঠাতে অধিবেশন চলোৱা হয় বা ওপৰোক্ত  ক্ৰমাগত অধিবেশন বোৰত যিমান সোনকালে পৰা যায় বিধিখন প্ৰণয়ৰ পিছতেই সংসদৰ প্ৰতিটো সদনতে পেচ কৰিব আৰু উভয় সদনে বিধিখন সংশোধনত সন্মতি প্ৰদান কৰিলে অথবা উভয় সদনে বিধিখন সংশোধন কৰা উচিত নহয় বুলি সন্মতি দিয়াৰ পিচত হয় সংশোধিত ৰূপত বলবৎ হ'ব অথবা বলবৎ নহ'ব আৱশ্যে, সেই নিয়মৰ অধীনত পূৰ্ববৰ্ত্তী কোনো বলবৎ হৈ থকা আইনৰ ক্ষেত্ৰত কোনো পক্ষপাত নকৰাকৈ এনে ৰূপান্তৰ বা সংশোধন কৰিব পাৰিব।

২) কোনো ৰাজ্য চৰকাৰে  এই আইনৰ অধীনত প্ৰস্তুত কৰা প্ৰতিটো বিধিকেই জাননী জাৰিকৰণৰ ঠিক পিছতেই ৰাজ্যিক বিধান সভাত উত্থাপন কৰিব।

অসুবিধা দূৰ কৰাৰ ক্ষমতা

৩০.  (১) এই আইনৰ ব্যৱস্থাৱলী বলবৎ কৰাত যদি কোনো অসুবিধা উদ্ভব হয় তেনেহ'লে ,কেন্দ্ৰীয় চৰকাৰে চৰকাৰী ৰাজপত্ৰত এক আদেশ বা নিৰ্দ্দেশৰ জৰিয়তে এই আইনৰ লগত সংগতি নথকা ব্যৱস্থাৱলী আৱশ্যকতা অনুসৰি বা অসুবিধা দূৰ কৰাটো উপযোগী বুলি বিবেচনা কৰিলে আন তেনে নিয়ম প্ৰনয়ন কৰিব পাৰিব----

যদি এই আইনখন আৰম্ভ হোৱা তাৰিখৰ পৰা দুবছৰ সময় অতিক্ৰম কৰাৰ পিছটো এনে আদেশ দিয়া নহয়।

২) এই দফাৰ অধীনত দিয়া প্ৰতিটো আদেশনামাকে আদেশ দিয়াৰ ঠিক পিছতেই  সংসদৰ প্ৰতিটো সদনত পেচ কৰিব লাগিব।

বাতিল

৩১)  তথ্য জনাৰ স্বাধীনতা আইন, ২০০২খন ইয়াৰ দ্বাৰাই বাতিল কৰা হ'ল।

## প্ৰথম অনুসূচী

(দফা ১৩ (৩)আৰু ১৬ (৩) চাওক)

মুখ্য তথ্য আয়ুক্ত /তথ্য আয়ুক্ত / ৰাজ্যিক মুখ্য তথ্য আয়ুক্ত /ৰাজ্যিক তথ্য আয়ুক্তৰ শপতনামা বা সত্যাৰ্পন পত্ৰখন

"মই................................মুখ্য তথ্য আয়ুক্ত /তথ্য আয়ুক্ত /ৰাজ্যিক মুখ্য আয়ুক্ত /ৰাজ্যিক তথ্য আয়ুক্ত হিচাপে নিযুক্ত হৈ বিধিসন্মতভাবে দৃঢ়তাৰে ভগৱানৰ নামত শপত খাইছো যে আইনৰ দ্বাৰা প্ৰণীত ভাৰতীয় সংবিধানৰ প্ৰতি মই সঁচা বিশ্বাস আৰু আনুগত্য প্ৰকাশ কৰিম আৰু মই ভাৰতৰ সাৰ্বভৌমত্ব আৰু সংহতিক সমৰ্থন কৰিম আৰু মোৰ সামৰ্থ্য, জ্ঞান আৰু বিচাৰ বুদ্ধিৰে কোনো ভয় বা পক্ষপাত, মৰম বা কুঅভিপ্ৰায়বিহীনভাবে মোৰ পদবীৰ কৰ্ত্তব্য সম্পাদন কৰিম আৰু মই সংবিধান আৰু আইনক মানি চলিম।

## দ্বিতীয় অনুসূচী

(২৪ নং দফা চাওক)

কেন্দ্ৰীয় চৰকাৰে প্ৰতিষ্ঠা কৰা চোৰাংচোৱা আৰু নিৰাপত্তা সংস্থা--

১) ইন্টেলিজেন্স ব্যুৰ’.।

২) কেবিনেট সচিবালয়ৰ গবেষণা আৰু বিশ্লেষণ শাখা ।

৩) ৰাজহ ইন্টেলিজেন্স সঞ্চালকালয়।

৪) কেন্দ্ৰীয় অৰ্থনৈতিক /বিত্তীয় ইন্টেলিজেন্স ব্যুৰ’।

৫) এনফ’ৰ্চমেন্ট সঞ্চালকালয়

৬) মাদক দ্ৰব্য নিয়ন্ত্ৰণ ব্যুৰ’।

৭) বিমান পৰিবহণ গবেষণা কেন্দ্ৰ।

৮) বিশেষ ফ্ৰন্টিয়াৰ বাহিনী।

৯) সীমান্ত নিৰাপত্তা বাহিনী ।

১০) কেন্দ্ৰীয় ৰিজাৰ্ভ পুলিচ বাহিনী।

১১) ইণ্ডো--তিবেতান সীমান্ত পুলিচ।

১২) কেন্দ্ৰীয় ঔদ্যাগিক নিৰাপত্তা বাহিনী ।

১৩) ৰাষ্ট্ৰীয় নিৰাপত্তা গাৰ্ডছ।

১৪) বিশেষ সেৱা ব্যুৰ’।

১৫) আচাম ৰাইফলচ।

১৬) বিশেষ শাখা--(চি আই ডি) আন্দামান আৰু নিকোবৰ।

১৭) অপৰাধ শাখা -চি আই ডি-চি-বি, দাদৰা আৰু নগৰ হাভেলি।

১৮) বিশেষ শাখা, লাক্ষাদ্বীপ পুলিচ।